


আমাৰ বিমান বাহিনী



নেহৰু বাল পুস্তকালয়—42

আমাৰ বিমান বাহিনী

চি. এল. প্ৰাউডফুট

অনুবাদ

নেকিব আহমেদ

নেছনেল বুক ট্ৰাষ্ট, ইণ্ডিয়া, নতুন দিল্লী

ছবি : প্ৰতিৰক্ষা মন্ত্ৰণালয়ৰ জনসংযোগ দপ্তৰৰ সৌজন্যত

1980 (শক 1901)

© চি. এল. প্ৰাউডফুট 1977

OUR AIR FORCE (Assamese)

মূল্য : 1.50

NATIONAL BOOK TRUST, INDIA, NEW DELHI
Revised Price
Rs. 5-00
(Rupees Five)

Acc. no. - 15317

Published by the Director, National Book Trust, India, A-5, Green Park, New Delhi-110016 and text printed at Rekha Printers Private Limited, New Delhi-110020. Cover and illustrations printed at Thomson Press, Faridabad, Haryana. Text composed at Nabajiban Press, Calcutta-700006.

আমাৰ বিমান বাহিনী

চেপ্তেম্বৰ মাহৰ তিনি তাৰিখ, চন 1965 ; সময় পুৱতি নিশা ; ঠাই—জম্মুৰ কোনোবা এঠাইত থকা ভাৰতীয় বিমান বাহিনীৰ মন্ত্ৰণা কোঠা। মাথোন ছুদিন আগতে পাকিস্তানী বাহিনীয়ে সীমান্তৰ সিপাৰৰপৰা স্থলবাহিনী, টেঙ্ক আৰু বিমানেৰে সজ্জিত হৈ আক্ৰমণ চলাইছিল ; কিন্তু ভাৰতীয় বিমান বাহিনীৰ বিমানবোৰে উৰা মাৰি গৈ তাৰ সন্মুখীন হবলৈ যোৱাৰ লগে লগে পাকিস্তানী বিমানবোৰ সীমান্তৰ সিপাৰলৈ উৰি পলাই গৈছিল। "আজি কিন্তু কথাৰ গতি সুকীয়া", কঠোৰ ভাষাত উইং কমাণ্ডাৰ গৰাকীয়ে ক'লে : "আজি যদি সিহঁতে যুদ্ধ নকৰে, আমি সিহঁতক যুদ্ধ কৰিবলৈ উচতাই ল'ম। আজি তোমালোকেই প্ৰথমে সীমান্তৰ পিনে উৰা মাৰিবা—আৰু সিহঁত উৰা মাৰি অহাৰ লগে লগে এশিকনি দিবা।"

সেয়া আছিল, 1965ৰ এপ্ৰিল মাহত পাকিস্তানী সৈন্যবাহিনীয়ে কচ্ছৰ ৰাণ অঞ্চলত অনুপ্ৰবেশ কৰাৰ সময়ৰ কথা। সেই সময়তে পাকিস্তানে কাশ্মীৰ উপত্যকালৈ গৰিলাবাহিনী পঠিয়াইও অশান্তিৰ সৃষ্টি কৰিবলৈ বিচাৰিছিল। 1947-48ত জম্মু আৰু কাশ্মীৰ অধিকাৰ কৰিবলৈ ব্যৰ্থ

হোৱাৰ পিছৰেপৰা পাকিস্তানে সীমান্ত অঞ্চলত এটা উত্তেজনাপূৰ্ণ পৰিস্থিতি অব্যাহত ৰাখিবলৈ চেষ্টা কৰি আহিছিল। এখন যুদ্ধ আৰম্ভ কৰাৰ বাবে চলোৱা দুয়োটা চেষ্টাই যেতিয়া ব্যৰ্থ হৈ গ'ল, তেতিয়া পাকিস্তানী সৈন্য-বাহিনীয়ে দেখদেখকৈ জম্মুৰ সীমান্ত অতিক্ৰম কৰি জম্মুৰ উজনি অঞ্চল আৰু ভাৰতৰ বাকী অংশৰ মাজত সংযোগ ৰক্ষা কৰা ৰাজপথটো বিচ্ছিন্ন কৰাৰ অভিপ্ৰায়েৰে চাম্ব্ অঞ্চলৰ পিনে অগ্ৰসৰ হৈছিল।

ছেপ্তেম্বৰ মাহৰ এক তাৰিখে শত্ৰুপক্ষৰ বহুসংখ্যক পদাতিক সৈন্যই পাকিস্তানী বিমান বাহিনীৰ বিমান আৰু প্ৰায় এশখন টেংকৰ সহায় লৈ আক্ৰমণ আৰম্ভ কৰিলে। এই বিমানবোৰ আছিল পাকিস্তানে সংগ্ৰহ কৰা শব্দতৰঙ্গ-ভেদী বহু অস্ত্ৰেৰে সু-সজ্জিত আধুনিক জে'ট্ যুঁজাৰু-বোমাৰু বিমান—এফ্—86 'ছেবাৰ-জে'ট্'। পাকিস্তানে তেওঁলোকৰ উন্নত বিমান আৰু বিমান বাহিনীৰ দ্বাৰা ভাৰতীয় পাইলট্সকলক ভীতি প্ৰদৰ্শন কৰিবলৈ চেষ্টা কৰিছিল যদিও ভাৰতীয় বৈমানিকসকল সহজে ভয় খোৱ বিধৰ নাছিল।

ছেপ্তেম্বৰ মাহৰ এক তাৰিখৰ ধল-পুৱাতে ভাৰতীয় বিমান বাহিনীৰ স্কোৱাড্ৰন্ লীডাৰ ট্ৰেভৰ কীলৰৰ পৰিচালনাত কেইখনমান নেট্ বিমান পাকিস্তান অভিমুখে যাত্ৰা কৰিলে। তাৰপিছত, ভাৰতীয় বিমান বাহিনীয়ে চলোৱা প্ৰতি-আক্ৰমণৰ কথা কীলৰে এনেদৰে বৰ্ণনা কৰিছে ঃ

"আমি চাৰিখন নেট্ বিমানেৰে, দুটা ভাগত বিভক্ত হৈ, উৰা মাৰিলোঁ। স্কোৱাড্ৰন্ লীডাৰ জনী গ্ৰীণে এটা বিভাগ আৰু মই আনটো বিভাগৰ পৰিচালনাৰ দায়িত্ব ল'লোঁ। জনীয়ে আমাৰ নেতৃত্ব ল'লে। আমি প্ৰায় পঁচিশ হেজাৰ ফুট উচ্চতালৈ উৰা মাৰিলোঁ আৰু মই মোৰ সোঁপিনে ওপৰলৈ এখন ছেবাৰ-জে'ট্ দেখা পালোঁ। ছেবাৰখনৰ পাখি দুখনৰ তলৰ পিনে দুটা মাৰাত্মক ছাইড্-ৱাইণ্ডাৰ ক্ষেপণাস্ত্ৰ লগোৱা। বিমানখনে ঘূৰি, জনী আৰু সমুখত থকা আমাৰ আন বিমান কেইখনৰ পিনে কামানকেইটা টোৱাঁবলৈ চেষ্টা কৰিছিল। মই জনীক তৎক্ষণাত সাৱধান কৰি দি মোৰ নেট্ বিমানখন হঠাতে ঘূৰাই ললোঁ আৰু প্ৰথমবাৰৰ বাবে মোৰ



স্কোয়াড্রন্ লীডাৰ ট্রেভৰ কীলৰ

সমুখত এটা জীৱন্ত লক্ষ্যৰ সন্মুখীন হ'লোঁ। মই সম্পূৰ্ণভাৱে মোৰ বিমানৰ গতিবেগ বৃদ্ধি কৰিলোঁ আৰু ক্রমাগত ছেবাৰখনৰ ওচৰ চাপি আহিলোঁ। মোৰ কামানৰ স্বয়ংক্রিয় দৃশ্য-যন্ত্রটোৱে স্পষ্টভাবে দেখুৱালে যে মই তেতিয়া গুলিয়ে ঢুকি পোৱা পৰিধিৰ ভিতৰলৈ আহিছোঁ। কিন্তু মই অপেক্ষা কৰিলোঁ।…বহুবছৰ জোৰা প্রশিক্ষণে যেন মোক ৰ'বলৈ ক'লে। মই ওচৰ চাপি আহিলোঁ, 'ট্রিগাৰ'টো ধৰি থকা মোৰ আঙুলিটো চঞ্চল হৈ পৰিল। মই বিমানখনৰ যথেষ্ট ওচৰ চাপিলোঁ। এক মুহূৰ্তৰ বাবে মই ট্রিগাৰটো চেপি ধৰিলোঁ আৰু লগে লগে শক্তিশালী কামানৰ গুলিৰ বিস্ফোৰণে মোৰ বিমানখন কঁপাই তুলিলে। মোৰ চকুৰ আগত 'ছেবাৰ'-খনৰ কিছুমান টুকুৰা-টুকুৰ অংশ উৰি গ'ল। শত্রুপক্ষৰ বৈমানিকজনেই বোধকৰো তেতিয়া আটাইতকৈ আচম্বিত আৰু সচকিত মানুহ আছিল।

আচৰিত হৈ তেওঁ পাকমাৰি পলাবলৈ ল'লে। কিন্তু মই আৰু এজাঁই গুলি মৰাৰ লগে লগে জুই লগা বিমানখন তললৈ বাগৰি পৰিল।..."



স্কোয়াড্ৰন লীডাৰ জনি গ্ৰীন

তাৰ পিছৰ কেইদিনত এনে-ধৰণে ধ্বংসৰ মুখত পৰা নানান ঘটনাৰ এইটো আছিল প্ৰথম। এইবোৰ ঘটনাই অন্ততঃ এটা কথা প্ৰমাণ কৰিলে যে—ক্ষীপ্ৰবেগী আৰু উন্নত বিমান হ'লেই নহয়, বৈমানিকসকলৰ দক্ষতাৰ ওপৰতহে সাফল্য নিৰ্ভৰ কৰে। ভাৰতীয় বিমান বাহিনীয়ে শত্ৰুপক্ষৰ বিমান বাহিনীৰ বিৰুদ্ধে যুদ্ধ দিয়া এয়ে প্ৰথম। আৰু প্ৰথমবাৰলৈ ভাৰতত নিৰ্মাণ কৰা জেট্‌বিমানে শত্ৰুপক্ষৰ কাৰিকৰীভাৱে উন্নত, শব্দতৰঙ্গতকৈয়ো বেগী এখন বিমান গুলীয়াই ভূপতিত কৰিলে।

সেই প্ৰথম সপ্তাহতে ভাৰতীয় বিমান বাহিনীয়ে পাকিস্তানী যুদ্ধ-শক্তিৰ চাম্ব্ এলেকালৈ অগ্ৰসৰ হোৱাৰ পথত বাধা দিয়াত সহায় কৰিলে আৰু পাকিস্তানী বিমান বাহিনীয়ে সেইকেইদিনৰ বিমান আক্ৰমণ আৰু মাটিৰ-পৰা চলোৱা বিমান-বিধ্বংসী কামানৰ গুলিত ৭৩খন বিমান হেৰুৱালে।

ভাৰতীয় বিমান বাহিনীৰ জন্ম আৰু বিকাশৰ প্ৰথম পৰ্যায়

প্ৰথম বিশ্ব মহাসমৰৰ সময়ত দুবিধ গুৰুত্বপূৰ্ণ যুদ্ধৰ সঁজুলি প্ৰথমবাৰৰ বাবে ব্যৱহাৰ কৰা হৈছিল। সেয়া আছিল—বিমান আৰু টেঙ্ক। সেই সময়ৰ বিমানবোৰ আছিল সৰু, সহজে ভাঙিব পৰা আৰু অকণো নিৰ্ভৰ কৰিব নোৱৰা বিধৰ। তাকে লৈ আমাৰ সৈন্যবাহিনীৰ বিমান শাখা গঠিত হৈছিল। এই বিমানবোৰ প্ৰধানতঃ আকাশৰপৰা শত্ৰুপক্ষৰ এলেকাসমূহ নিৰীক্ষণৰ বাবে ব্যৱহাৰ কৰা হৈছিল। এই তথ্য-সন্ধানী নিৰীক্ষণ অভিযানবোৰ অতি গুৰুত্বপূৰ্ণ। আকাশত বৈমানিকসকলে বেছি ভাগেই অকলশৰীয়াকৈ মেছিনগান, আনকি পিস্তলেৰেও যুদ্ধ কৰিছিল আৰু কেতিয়াবা শত্ৰুসৈন্যৰ ওপৰত সৰু বোমা নিক্ষেপ কৰিছিল।

দ্বিতীয় মহাসমৰৰ আৰম্ভণীৰ সময়ত বিমানসমূহ—সামৰিক অভিযানৰ গোটেই পদ্ধতি আৰু পৰিকল্পনাৰ পৰিবৰ্তন আনিব পৰা এবিধ শক্তিশালী সমৰ-অস্ত্ৰত পৰিণত হৈ পৰিল। বিশেষ ধৰণৰ বিভিন্ন কামৰ বাবে নিৰ্দিষ্ট কেতবোৰ বিমান ব্যৱহাৰ কৰা হৈছিল। 'ফাইটাৰ' অথবা 'যুঁজাৰু' নামৰ সৰু অস্ত্ৰসজ্জিত বিমানবোৰৰ বাহিৰেও অধিক দূৰত্ব




হাবদিৎ সিং মালিক

অতিক্ৰম কৰিব পৰা আৰু শত্ৰুপক্ষৰ গোলা-বাৰুদৰ কাৰখানা, যোগান কেন্দ্ৰ আৰু আনকি চহৰসমূহৰ ওপৰত গধূৰ বোমা নিক্ষেপ কৰিব পৰা বৃহৎ বিমানো আছিল।

সেই সময়ত, সৈন্যবাহিনী যুদ্ধক্ষেত্ৰলৈ ওলাই যোৱাৰ পিছত, সততে কোনোধৰণৰ ক্ষতি নোহোৱাকৈ থকা অসামৰিক লোকসকলো আক্ৰমণ-কাৰী বিমানৰ বোমাৰপৰা নিজৰ প্ৰাণ ৰক্ষা কৰিবলৈ পৰোক্ষভাবে যুদ্ধত লিপ্ত হৈ পৰিবলগীয়া হৈছিল। একালত একোজন সৈনিকৰ মাজত আৱদ্ধ থকা যুদ্ধখন এতিয়া সকলো নাগৰিক লিপ্ত হৈ পৰা এখন পূৰ্ণাঙ্গ যুদ্ধত পৰিণত হ'ল।

ভাৰতীয় বিমান বাহিনীৰ ইতিহাস 1933 চনৰপৰা আৰম্ভ হৈছে। প্ৰায় দুশবছৰ জোৰা শাসন কালত, বৃটিছসকলে ভাৰতীয় সৈনিকক লৈ এটা নিপুণ সৈন্যবাহিনী গঢ়ি তুলিছিল। এই সৈন্যসকলক তেওঁলোকে সমগ্ৰ বিশ্বজুৰি তেওঁলোকৰ নিজৰ হৈ কাম কৰিবলৈ লগাইছিল। সেইসময়ত কোনো বিমান বাহিনী নাছিল। নৌবাহিনীও সেইদৰে মাথোন নামতহে ভাৰতীয় হৈ আছিল। প্ৰথম মহাযুদ্ধৰ সময়ত, ইংলণ্ডত পঢ়ি থকা হৰদিৎ সিং মালিক, ইন্দ্ৰলাল ৰায়, নৌৰজী আৰু এছ. জি. ৱেলিংকাৰ— আদি কেইজনমান দুঃসাহসিক ভাৰতীয় ছাত্ৰই ৰয়েল ফ্লাইং ক'ৰ নামৰ বৃটিছ বিমান বাহিনীতে যোগ দিছিল আৰু তেওঁলোকে ফ্ৰান্সত সাহসিকতাৰে সৈতে জাৰ্মানসকলৰ বিৰুদ্ধে যুঁজিছিল। ৱেলিংকাৰ তেতিয়া 'মিলিটেৰী ক্ৰছ'ৰ সন্মান পোৱা প্ৰথম ভাৰতীয় বৈমানিক আছিল। কিন্তু দুৰ্ভাগ্য-বশতঃ ৱেলিংকাৰ, ৰায় আৰু নৌৰজী, এই আটাই কেউজনেই যুদ্ধক্ষেত্ৰত প্ৰাণ হেৰুৱাব লগীয়া হ'ল। এই কেউজন সাহসী ভাৰতীয়ৰ মৃত্যুৱে— ভাৰতীয় বিমান বাহিনীৰ বাবে সাহস আৰু নিৰ্ভীকতাৰ এটা উচ্চ মান গঢ়ি থৈ গ'ল।

1933 চনৰ এপ্ৰিল মাহৰ এক তাৰিখে কৰাছীত ভাৰতীয় বিমান বাহিনীৰ 'এক নম্বৰ ফ্লাইট'টো গঠিত হয়। ইয়াত আছিল মাথোন ছজন নতুনকৈ কমিছন পোৱা বিষয়া, নজন বৈমানিক আৰু চাৰিখন আওপুৰনি



ইল্যুচিন বিমান

'ৱাপিটি' বিমান। 1939 চনৰ দ্বিতীয় মহাসমৰৰ আৰম্ভণীতে ইয়াৰ শক্তি ষোল্লজন বিষয়া আৰু দুশ উনসত্তৰজন বৈমানিকলৈ বৃদ্ধি কৰা হয়।

ভাৰতীয় বিমান বাহিনীৰ পাইলট আৰু 'গ্ৰাউণ্ড ক্ৰু'সকলে যুদ্ধক্ষেত্ৰত দেখুৱা পাৰদৰ্শিতাৰ বাবে তেওঁলোকক এটা 'বিশিষ্ট সেৱা পদক', বাইশটা 'বিশিষ্ট উৰণ ক্ৰছ' আৰু আন বহুত সন্মান দিয়া হয়। মহাযুদ্ধত জয়লাভ

কৰা বাবে সন্মানৰ অংশ হিছাপে ভাৰতীয় বিমান বাহিনীৰ নামৰ আগত 'ৰয়েল' শব্দটো অৰ্পণ কৰা হয়। এই সময়ছোৱাৰ ভিতৰত, 'ৰয়েল ইণ্ডিয়ান এয়াৰফৰ্চ' বা আৰ. আই. এ. এফ. আধুনিক বিমানেৰে সুসজ্জিত কৰি নটা স্কোৱাড্ৰনলৈ বৃদ্ধি কৰা হয়। ব্ৰহ্মদেশত তেওঁলোকে যথেষ্ট পাৰদৰ্শিতা দেখুৱায়। মহাসমৰৰ পিছত এটা পৰিবহন স্কোৱাড্ৰনো গঠন কৰা হয়। তাৰপিছত আহে দেশ বিভাজন আৰু ভাৰত আৰু পাকিস্তান গঠিত হয়। কেতবোৰ বিমান আৰু বৈমানিকে নব-গঠিত পাকিস্তান বিমান বাহিনীত যোগদান কৰে। 1950 চনৰ জানুৱাৰী মাহৰ 26 তাৰিখে ভাৰত এখন গণতন্ত্ৰত পৰিণত হোৱাৰ লগে লগে 'ৰয়েল' শব্দটো বাদ দিয়া হয় আৰু বিমান বাহিনীৰ নাম তেতিয়া মাথোন 'ভাৰতীয় বিমান বাহিনী' অথবা 'আই-এ-এফ' নামে জনাজাত হয়।


ভাৰতীয় বিমান বাহিনীৰ সাহসী লোকসকল

1947-48 চনত পাকিস্তানে জম্মু আৰু কাশ্মীৰৰ ওপৰত চলোৱা আক্ৰমণৰ ফলত শত্ৰুতাৰ সূত্ৰপাত হয়। কাশ্মীৰ উপত্যকাৰ সোঁমাজত অৱস্থিত, ওখ পৰ্বতমালাৰে পৰিবেষ্টিত পুঞ্চ নামৰ সৰু চহৰখনত আমাৰ সৈন্য-বাহিনীক বহুতো শত্ৰু-সৈন্যই আগুৰি ধৰে আৰু পুঞ্চলৈ যোৱা বাট-পথ চিঙি খাদ্য-সামগ্ৰী আৰু অস্ত্ৰ-শস্ত্ৰৰ যোগান বন্ধ কৰি দিয়ে। পুঞ্চৰ চাৰিও কাষে থকা পৰ্বতমালা ইমান ওখ যে, কোনো বিমান তাত কেতিয়াবা অৱতৰণ কৰিব পৰাটো অসম্ভৱ বুলিয়েই বিবেচনা কৰা হৈছিল। ভাৰতীয় সৈন্য-বাহিনীলৈ সা-সামগ্ৰীৰ যোগান ধৰা একমাত্ৰ উপায় আছিল —পেৰাছুটৰ সহায়ত। কিন্তু সেয়ে কৰিবলৈ হ'লে বিমানসমূহ উপত্যকাৰ তললৈ নামিব লাগিব। আনহাতে ওচৰৰ পৰ্বতসমূহত জোপ লৈ থকা শত্ৰু-সৈন্যৰ বিমানলৈ গুলি কৰাৰ আশঙ্কাও আছে। এইদৰে বহুদিনলৈ পুঞ্চ চহৰ অৱৰুদ্ধ অৱস্থাত থাকিল। কেইমাহ মানৰ পিছত খাদ্য-সামগ্ৰা আৰু অস্ত্ৰ-শস্ত্ৰৰ নাটনি হ'ল আৰু তাৰ লগে লগে ইমানদিনে সাহসিকতাৰে ৰক্ষা কৰি থকা চহৰখন সোনকালেই শত্ৰুপক্ষৰ আক্ৰমণৰ সন্মুখীন হোৱাৰ



এয়াৰ কমোদৰ মেহাৰ সিং

সম্ভাৱনাই দেখা দিলে। তেতিয়া এটা দুঃসাহসিক পৰিকল্পনা যুগুত কৰা হ'ল। পুঞ্চত থকা সৈন্যসকলে এখন 'ডেকোটা' বিমান নামিব পৰাকৈ এখন অৱতৰণ ক্ষেত্ৰ সাজি উলিয়ালে। ভাৰতীয় বিমান বাহিনীয়ে তাত বিমান নমাবলৈ ওলাল আৰু এদিন এয়াৰ কমোদৰ মেহেৰ সিং নামৰ এজন



বিমানৰপৰা সৈন্যসকলে পেৰাছুট্ লৈ নামিছে

সাহসী বিমান-চালকে ফ্লাইট লেফ্টেনেণ্ট ডেছ্মণ্ড পুংছংৰ সহায়ত পৰ্বত-মালাৰ তললৈ নামি আহি উপত্যকাৰ পিনে হঠাৎ চোঁ মাৰি অৱতৰণ ক্ষেত্ৰত তেওঁৰ বিমানখন নমাই দিলে। ওচৰৰ পৰ্বতমালাৰপৰা শত্ৰুপক্ষই লেঠাৰি নিচিগাকৈ গুলি চলাই থকা স্বত্বেও গোলা-বাৰুদ, খাদ্য-সামগ্ৰী আৰু অন্যান্য সামগ্ৰী বিমানৰপৰা নমোৱা হ'ল, কিছু আহত আৰু ৰুগ্ন সৈন্যক বিমানত তোলা হ'ল আৰু ডেকোটা বিমানখন পুনৰ উৰা মাৰিলে। এই ধৰণে কেইবাবাৰো এই দুঃসাহসিক অভিযান চলিল। আনকি পুঞ্চলৈ গধুৰ কামান আদিও অনা হ'ল—যাৰ ফলত আমাৰ সৈন্যই শত্ৰুপক্ষৰ বিৰুদ্ধে প্ৰতি-আক্ৰমণ চলোৱাও সম্ভৱপৰ হৈ উঠিল। এইদৰে ভাৰতীয় বিমান বাহিনীৰ 'পৰিবহন স্কোৱাড্ৰন'ৰ বিমান-চালকসকলে যোগান ব্যৱস্থা অটুট ৰখাত পুঞ্চত থকা সাহসী সৈন্যসকলে এটা সম্পূৰ্ণ বছৰ পাকিস্তানী সৈন্যৰ বিৰুদ্ধে নিজৰ অস্তিত্ব বজাই ৰাখিবলৈ সক্ষম হৈছিল। তাৰ পিছত

ভাৰতীয় সৈন্য-বাহিনীয়ে যুদ্ধ চলাই পৰ্বত অতিক্ৰম কৰি বাটটো পুনৰ মুকলি কৰিলে।

ভাৰতীয় বিমান বাহিনীয়ে খ্যাতি অৰ্জন কৰা আনখন ঠাই হ'ল—জম্মু আৰু কাশ্মীৰৰ সুবিস্তীৰ্ণ উত্তৰ-পূৰ্বাঞ্চলত থকা লাডাখৰ প্ৰধান চহৰ আৰু ৰাজধানী 'লেহ'। লেহৰ উচ্চতা হৈছে প্ৰায় এঘাৰ হেজাৰ ফুট আৰু কাশ্মীৰৰপৰা 'যজি-লা' পাছ হৈ এটা দীঘলীয়া আৰু বিপদসঙ্কুল পথেদি তালৈ যাব পাৰি। এই ঠাইডোখৰ বছৰৰ অধিক ভাগ সময় বৰফেৰে ঢকা থাকে বাবে তালৈ ট্ৰাক যাব নোৱাৰে আৰু সেইবাবেই মানুহে বহুদিন বাটকুৰি বাই নানান কষ্টেৰেহে লেহলৈ যাব পাৰে।

লেহৰ প্ৰতিৰক্ষাৰ বাবে ভাৰতীয় সৈন্যবাহিনীৰ এটা সৰু দল তাত ৰখা হৈছিল। এদিনাখন তেওঁলোকে শ্ৰীনগৰত থকা সদৰ কাৰ্যালয়লৈ এটা

লাদাখ এলেকাত সৈন্যদল



বেতাঁৰ বাৰ্তা পঠিয়ালে যে, বহুসংখ্যক পাকিস্তানী সৈন্যই গিৰিপথ অতিক্ৰম কৰি ভাৰতীয় এলেকাত অনুপ্ৰবেশ কৰিছে। বাটেদি অধিক সৈন্য-সামন্ত পঠিয়ালে বহুদিন লাগিব বাবে তেওঁলোকক বিমানেৰে পঠিয়াবলৈ চেষ্টা কৰাৰ বাহিৰে আন উপায় নাছিল। কিন্তু, বিমানেৰে এনে চেষ্টা কেতিয়াও কৰা হোৱা নাই, সেয়ে লেহ্ ৰক্ষা কৰাৰ আশাও তেনেই ক্ষীণ হৈ পৰিল।

এইবাৰো সাহসী মেহেৰ সিঙে লেহ্‌ত এখন বিমান নমাবলৈ আগবাঢ়ি আহিল। মেহেৰ সিঙক বৈমানিকসকলে মৰমতে 'মেহেৰ বাবা' বুলি মাতিছিল। এই দুঃসাহসিক অভিযানত মেহেৰ সিং সফল হ'ব বুলি মাথোন এজন লোকে বিশ্বাস কৰিছিল, আৰু তেওঁ আছিল কাশ্মীৰত থকা ভাৰতীয় সৈন্য-বাহিনীৰ কমাণ্ডাৰ মেজৰ জেনেৰেল থিমায়া। সৈনিকসকলে এই সংগ্ৰামী জেনেৰেলজনক 'থিমি' বুলি মাতিছিল—এৱেঁই পিছত ভাৰতীয় সামৰিক বাহিনীৰ অধিনায়ক হয়গৈ।

মেহেৰ বাবাই লেহত বিমান অৱতৰণ কৰিব পাৰিব বুলি থিমিৰ সম্পূৰ্ণ আস্থা আছিল—কিন্তু তেওঁ প্ৰথমখন বিমানত কোনো সৈন্য পঠিয়াবলৈ অমান্তি হ'ল। তাৰ ঠাইত তেওঁ নিজেই যাবলৈ থিৰ কৰিলে। মেহেৰ বাবাই আৰু তেওঁ নিজে খাদ্য-সামগ্ৰী আৰু গোলা-বাৰুদ লৈ হিমালয়ৰ উচ্চ পৰ্বতমালাৰ ওপৰেদি এখন ডেকোটা বিমানেৰে উৰা মাৰিলে। তেওঁলোকৰ হাতত এনে উচ্চতাত উৰাৰ বাবে প্ৰয়োজনীয় অক্সিজেন নাছিল—কিন্তু






এ এন-12



স্পিট্ ফায়াৰ

তথাপিও তেওঁলোকে সাহসেৰে আগবাঢ়ি গ'ল আৰু সফলতাৰে লেহ্ত অৱতৰণ কৰিলে। কিন্তু, অতিপাত ঠাণ্ডাত কিজানিবা পুনৰ চলাব পৰা নাযায়, সেইবুলি ডেকোটাখনৰ ইঞ্জিন দুয়োটা চলাই থ'লে। তাত থকা সৈন্যবাহিনীৰ লোকসকলে নিজে জেনেৰেলজন উপস্থিত হোৱা দেখি আৰু অতিৰিক্ত সা-সামগ্ৰী আৰু গোলা-বাৰুদৰ চালান পাই আনন্দ পালে। পিছত সৈনিকসকলক উদগণি জনাই 'থিমি' আৰু মেহেৰ বাবাই ওখ পৰ্বতমালা অতিক্ৰম কৰি শ্ৰীনগৰলৈ উলটি আহিল। এই যাত্ৰাই লেহলৈ বিমান পথ মুকলি কৰিলে। আৰু লগে লগে অধিক সৈনিক যোগানেৰে সৈতে লেহত থকা সৈন্যবাহিনী তাত তিষ্ঠি থাকিব পৰাটো সম্ভৱ হ'ল।

এতিয়া প্ৰতিদিনেই বিৰাট এ. এন. 12 জাতীয় বিমানবোৰে সৈন্য-



কেৰিবু

বাহিনীৰ বাবে খাদ্য-সামগ্ৰী, গোলা-বাৰুদ আৰু অন্যান্য সা-সামগ্ৰী কঢ়িয়াই লেহলৈ যায়।

খাদ্য-সামগ্ৰী আৰু গোলা-বাৰুদ বিমানেৰে নিয়াৰ উপৰিও, বিমান বাহিনীয়ে শত্ৰুপক্ষৰ কেন্দ্ৰসমূহৰ সু-নিৰ্দিষ্ট লক্ষ্যস্থানত আক্ৰমণ চলালে। ইয়াৰ বাহিৰেও, তেওঁলোকে সা-সামগ্ৰী কঢ়িয়াই নিয়া সৈন্যবাহিনীৰ ট্ৰাক-সমূহ আক্ৰমণ কৰে। এইবোৰ কামৰ বাবে ব্যৱহাৰ কৰা বিমানসমূহ আছিল পুৰণি বিধৰ 'স্পিট্‌ফায়াৰ'—'টেমপেষ্ট' যুঁজাৰু আৰু 'হাৰ্ভাৰ্দ' প্ৰশিক্ষণকাৰী বিমান। 'ডেকোটা' বিমানবোৰে সৈন্যবাহিনী আৰু সা-সামগ্ৰীৰ যোগান দিয়াত সহায় কৰিছিল।

আকৌ 1962 চনত যেতিয়া চীনা সৈন্যই আমাৰ উত্তৰ-পূৰ সীমান্ত অঞ্চল আৰু লাডাখত হঠাতে আক্ৰমণ কৰিলে, তেতিয়া ভাৰতীয় বিমান বাহিনীৰ পৰিবহন স্কোৱাড্ৰনৰ বিমানসমূহে যুদ্ধক্ষেত্ৰত গোলা-বাৰুদ আকাশৰপৰা যোগান ধৰি আৰু আহত সৈনিকসকলক প্ৰধান হাস্পতাললৈ আনি ভাৰতীয় সৈন্যবাহিনীক সহায় কৰিছিল। ভাৰতীয় বিমান বাহিনীৰ হেলিক'প্তাৰৰ চালকসকলে ওখ পৰ্বতত থকা শিবিৰৰপৰা আহত সৈনিক-সকলক অনেক সময়ত শত্ৰুপক্ষৰ গুলিবৰ্ষণ স্বত্বেও নিৰাপদ ঠাইলৈ আনি কৃতিত্বৰ পৰিচয় দিছিল। এই নিৰ্ভীক তৰুণ বৈমানিকসকলৰ বহুতেই সাহসিকতাৰ বাবে পুৰস্কাৰ লাভ কৰিছে।

আমাৰ সৈন্যবাহিনীক শত্ৰুপক্ষৰ সৈন্য আৰু টেঙ্কৰ আক্ৰমণৰপৰা ৰক্ষা কৰাৰ উপৰিও আমাৰ বিমান-চালকসকলে শত্ৰুসৈন্য থকা ঠাই পাৰ হৈ আকাশৰপৰা আক্ৰমণ চলোৱাৰ উদ্দেশ্যে পেৰাট্ৰুপাৰসকলক বিমানেৰে কঢ়িয়াই নিছিল যাতে তেওঁলোকে শত্ৰুপক্ষক পিছফালৰপৰা অতৰ্কিতে আক্ৰমণ কৰিব পাৰে। ভাৰতীয় বিমান বাহিনীৰ হেলিক'প্তাৰসমূহে আমাৰ যুঁজাৰু বাহিনীক আগশাৰীত থকা শত্ৰুসৈন্যৰ ওপৰেদি, পৰ্বত, নদী আৰু হাবিয়নি অঞ্চল পাৰ হৈ ভাবিব নোৱাৰা কেতবোৰ ঠাইত নমাই শত্ৰুপক্ষৰ সকলো আঁচনি ওলট-পালট কৰি দি কৃতিত্ব লাভ কৰিছিল। এই হেলি'কপ্তাৰসমূহে গোলা-বাৰুদ আৰু সামগ্ৰী কঢ়িয়াই নিয়াৰ

উপৰিও, যুদ্ধক্ষেত্ৰত এঠাইৰপৰা আন ঠাইলৈ উচ্চপদস্থ কমাণ্ডাৰসকলক অনা-নিয়াও কৰিছিল।



Acc. no. - 15317

ভাৰতীয় বিমান বাহিনীৰ ভিতৰৰ কথা

কোনোৱে হয়তো ভাবিব পাৰে যে, মাথোন যুদ্ধ আৰু শত্ৰুপক্ষৰ বিমান গুলীয়াই পেলোৱাই বিমান বাহিনীৰ একমাত্ৰ কাম নে? দৰাচলতে কবলৈ গ'লে, তেওঁলোকৰ কাম ইয়াতকৈ বহুত বেছি। দেশৰ প্ৰতিৰক্ষা আঁচনি যুগুত কৰাত তেওঁলোকৰ বিভিন্ন দায়িত্ব আছে।


বিমান বাহিনীৰ প্ৰথম কৰ্তব্য হৈছে—পৃথিবীৰ বিভিন্ন ঠাইত ব্যৱহাৰ কৰা সকলো ধৰণৰ শেহতীয়া বিমানেৰে বাহিনীটো সুসজ্জিত কৰি ৰখা। শত্ৰুপক্ষৰ বৃহৎ কামান আৰু মাৰাত্মক ক্ষেপণাস্ত্ৰৰে (ৰকেট) সুসজ্জিত বেগী আধুনিক বিমানৰ সন্মুখীন হোৱাৰ বাবে আওপুৰণি কিছুমান বিমান চলাবলৈ এদল সাহসী বৈমানিক ৰখাৰ কোনো যুক্তি থাকিব নোৱাৰে। সেইবাবে বিমান বাহিনীয়ে, বিদেশত কেনে ধৰণে উন্নত বিমান নিৰ্মাণ হ'ব ধৰিছে—সেই বিষয়ে সতৰ্কতাৰে চকু ৰাখি নিজৰ প্ৰয়োজনীয়তাৰ বিষয়ে নিজ চৰকাৰক জনোৱা উচিত।


সৈন্যবাহিনী, নৌবাহিনী আৰু বিমান বাহিনীসমূহক অতি আধুনিক অস্ত্ৰ-শস্ত্ৰ, জাহাজ আৰু বিমানেৰে সু-সজ্জিত কৰি ৰখাটো চৰকাৰৰ প্ৰতিৰক্ষা মন্ত্ৰণালয়ৰ দায়িত্ব।


তাৰ পিছতে হৈছে—যেতিয়াই নিৰ্দেশ আহে তেতিয়াই কামত লাগিব পৰাকৈ বিমান বাহিনীয়ে কঠোৰ প্ৰশিক্ষণ লোৱা উচিত। যিকোনো উপায়েৰেই নহওক কিয় এই প্ৰস্তুতি অটুত ৰাখিব লাগিব। সেই বাবেই সশস্ত্ৰ বাহিনীৰ লোকসকলৰ মাজত এটা কথা আছেঃ "শান্তিৰ সময়ত তুমি যিমানেই অধিক কপালৰ ঘাম মাটিত পেলাব পাৰা, যুদ্ধৰ সময়ত তোমাৰ সিমান কম কষ্ট হব। তোমাৰ প্ৰস্তুতিৰ বাবে যুদ্ধখনলৈ বাট নাচাবা, শান্তিৰ সময়তে কঠোৰ প্ৰশিক্ষণ লোৱা, যাতে যুদ্ধ আৰম্ভ হ'লেই তুমি সাজু থাকিব পাৰা।"

যুদ্ধত ভাগ্যৰ বলত দক্ষতা অৰ্জন কৰিব নোৱাৰি, দীঘলীয়া প্ৰশিক্ষণ আৰু অধ্যৱসায়ৰ যোগেদিহে ই সম্ভৱ।

শান্তিৰ সময়ত বিমান-চালকসকলক এনে সুন্দৰভাবে প্ৰশিক্ষণ দিয়া এন. চি. চি'ৰ বিমান শাখা







হিন্দুস্তান এয়াৰ-ক্ৰাফট্ লিমিটেড



পেৰাছুটৰপৰা নামি অহা

উচিত, যাতে যুদ্ধৰ সময়ত তেওঁলোকৰ সকলো ধৰণৰ যুদ্ধ কৰিব পৰা ক্ষমতাক কোনেও দোষ দিব নোৱাৰে। এই কথাও প্ৰমাণিত হৈছে যে তেওঁলোকৰ বিমান, টেংক, জাহাজ অথবা কামানসমূহ যিমানেই ভাল নহওক কিয়, এই আটাইবোৰৰ সুফল নিৰ্ভৰ কৰে চলাওঁতাসকলৰ

ওপৰত। তাৰ লগে লগে এই কথাও ঠিক যে যদি বিমানসমূহে শেষ মুহূৰ্তত ঠেকত পেলায়, এক মুহূৰ্তৰ নিৰ্দেশতে যদি উৰা মাৰিব নোৱাৰে বা ইঞ্জিনসমূহ যদি যুদ্ধৰ সময়তে বন্ধ হৈ যায় বা গুলি চলাই থাকোঁতেই কামানসমূহৰ বিজুতি ঘটে, তেনেহ'লে বৈমানিকৰ উচ্চ প্ৰশিক্ষণ বা তেওঁ-লোকৰ দক্ষতাৰ কোনো অৰ্থ নাই। প্ৰশিক্ষণৰ লগতে বিমানসমূহ যি কোনো মুহূৰ্ততে চলিব পৰাকৈ ঠিক-ঠাককৈ ৰখাটোও সমানে গুৰুত্বপূৰ্ণ কথা।

ইয়াৰ পিছতেই পৰিকল্পনাৰ কথাটো আহে। বিমান বাহিনীয়ে সদায় বহুত আগতেই আঁচনি যুগুত কৰা উচিত, যাতে শত্ৰুপক্ষৰ বিমানে চলোৱা যি কোনো আক্ৰমণৰ সন্মুখীন হ'ব পৰা যায়।

আমাৰ বিমান বাহিনীয়ে সীমান্তৰ সিপাৰৰ যি কোনো ধৰণৰ আক্ৰমণৰপৰা দেশখনক ৰক্ষা কৰে। ইয়াৰ ফলত দেশৰ ভিতৰুৱা আকাশতো সৈন্যবাহিনীৰ মুক্ত চলাচলত সহায় হয়।

আনহাতে বিমান বাহিনী এনেধৰণে সু-সজ্জিত আৰু প্ৰশিক্ষণপ্ৰাপ্ত হ'ব লাগিব যে, প্ৰয়োজন হ'লে সহজে সীমা পাৰ হৈ গৈ শত্ৰুপক্ষৰ এলেকাৰ ভিতৰত লক্ষ্যস্থলত আক্ৰমণ চলাব পাৰে।

প্ৰয়োজন হ'লে, বিমান বাহিনীয়ে সৈন্যবাহিনী আৰু নৌবাহিনীক সহায় কৰিব লাগে। দক্ষতাৰে সৈতে কৰ্তব্য পালন কৰিবলৈ হ'লে, যুদ্ধ আৰম্ভ হোৱাৰ লগে লগে শত্ৰুপক্ষক আক্ৰমণ কৰি তেওঁলোকৰ বিমান, বিমান-ক্ষেত্ৰ, ৰাদাৰ-কেন্দ্ৰ, বিমান-বিধ্বংসী প্ৰতিৰক্ষা ব্যৱস্থা, খাৰ-বাৰুদ, প্ৰজ্বালক-সামগ্ৰী, গুদাম, স্থল-পথ আৰু ৰেল সংযোগ ব্যৱস্থাৰ সকলো গুৰুত্বপূৰ্ণ কেন্দ্ৰ ধ্বংস কৰিব পৰাকৈ বিমান বাহিনী শক্তিশালী হ'ব লাগিব।

সংগঠন ঃ—

সৈন্য আৰু নৌবাহিনীৰ দৰে বিমান বাহিনীৰো সকলোতকৈ ওপৰত এজন কমাণ্ডাৰ বা অধিনায়ক থাকে। তেওঁ বিমান বাহিনীৰ গুৰিয়াল বা চিফ্ অব্ এয়াৰ ষ্টাফ নামে জনাজাত আৰু তেওঁৰ এয়াৰ চিফ মাৰ্শ্বেলৰ মৰ্যাদা আছে। তেওঁৰ কাৰ্যালয় হৈছে নতুন দিল্লীৰ 'বায়ুসেনা

তিনিওটা বাহিনীৰ বিষয়াবৰ্গৰ পদবী

বিমান	নৌ	স্থল
এয়াৰ চিফ্ মাৰ্শ্বেল	এড্মিৰেল	জেনেৰেল
এয়াৰ মাৰ্শ্বেল	ভাইচ্ এড্মিৰেল	লেফ্টেনেণ্ট জেনেৰেল
এয়াৰ ভাইচ্ মাৰ্শ্বেল	ৰিয়েৰ এড্মিৰেল	মেজৰ জেনেৰেল
এয়াৰ কম'ডৰ	কম'ডৰ	ব্ৰিগেডিয়াৰ
গ্ৰুপ কেপ্টেইন	কেপ্টেইন	কৰ্ণেল
উইং কমাণ্ডাৰ	কমাণ্ডাৰ	লেঃ কৰ্ণেল
স্কোৱাড্ৰন লিডাৰ	লেফ্টেনেণ্ট কমাণ্ডাৰ	মেজৰ
ফ্লাইট লেফ্টেনেণ্ট	লেফ্টেনেণ্ট	কেপ্টেইন
ফ্লাইং অফিচাৰ	চাব্ লেফ্টেনেণ্ট	লেফ্টেনেণ্ট
পাইলট অফিচাৰ	এক্টিং চাব্ লেফ্টেনেণ্ট	চাব্ লেফ্টেনেণ্ট

ভৱন'ত থকা বিমান বাহিনীৰ সদৰ কাৰ্যালয়ত। বিমান বাহিনীৰ এজন উপ-অধিনায়ক বা ভাইচ চিফ্ আৰু বিভিন্ন বিভাগৰ দায়িত্বত থকা তিনজন মুখ্য ষ্টাফ অফিচাৰে তেওঁক সহায় কৰে।

বিমান বাহিনীৰ সদৰ কাৰ্যালয়ত পাঁচোটা কমাণ্ড আছে। এই কেইটা হৈছে দিল্লীত থকা পশ্চিম এয়াৰ কমাণ্ড, শ্বিলঙত থকা পূব এয়াৰ কমাণ্ড আৰু এলাহাবাদত থকা মধ্য এয়াৰ কমাণ্ড। কোনো অপাৰেশ্যনেল কমাণ্ডৰ অধীনত এটা বা ততোধিক কমাণ্ড থাকিব পাৰে। আন দুটা কমাণ্ড হৈছে —নাগপুৰত থকা সংৰক্ষণ কমাণ্ড আৰু বাঙ্গালোৰত থকা প্ৰশিক্ষণ কমাণ্ড। প্ৰথমটো কমাণ্ডে বিমানসমূহ মেৰামতি আদি কৰি মজুত ৰাখে আৰু আনটো কমাণ্ডে সকলোবিধৰ প্ৰশিক্ষণৰ তদাৰক কৰে।


প্ৰতিটো যুঁজাৰু কমাণ্ড আৰু দল গঠিত হয় যুদ্ধৰ সময়ত উৰণৰ বাবে থকা বিভিন্ন শাখাৰে। ইয়াৰ সংগঠনৰ ওপৰত নিৰ্ভৰ কৰি একোজন এয়াৰ কমাণ্ডাৰ আৰু গ্ৰুপ কেপ্টেইনে এইবোৰ শাখাৰ পৰিচালনাৰ দায়িত্ব লয়।

একোটা অপাৰেশ্যনেল উইঙৰ দুটা বা ততোধিক স্কোৱাড্ৰন থাকে আৰু তাৰ নেতৃত্ব কৰে স্কোৱাড্ৰন কমাণ্ডাৰে। একোটা স্কোৱাড্ৰনত কাম অনুসৰি বোমাৰু বা পৰিবহন বিমান, হেলিক'প্টাৰ আদি বিভিন্ন বিমান থাকে।

সাধাৰণতে একোটা স্কোৱাড্ৰনৰ ষোল্লখন বিমান থাকে। এই ষোল্লখন বিমান আঠখনকৈ দুটা ফ্লাইটত বিভক্ত কৰা হয়। একোটা স্কোৱাড্ৰনৰ পৰিচালনা কৰে একোজন উইং কমাণ্ডাৰ অথবা স্কোৱাড্ৰন লীডাৰে। সেইদৰে একোটা ফ্লাইটৰ পৰিচালনা কৰে স্কোৱাড্ৰন লীডাৰ অথবা ফ্লাইট্ লেফ্‌টেনেণ্টে। কিছুমান স্কোৱাড্ৰনত কেতিয়াবা অতিৰিক্ত বিমানো থাকিব পাৰে।

একোটা স্কোৱাড্ৰনৰ বাবে নিৰ্ধাৰিত দায়িত্বক 'মিশ্যন' আৰু এখন বিমানে অকলে চলোৱা অপাৰেশ্যনেল ফ্লাইটক 'ছৰ্টি' বুলি কোৱা হয়। উদাহৰণ স্বৰূপে, কোনো মিছনত একোটা স্কোৱাড্ৰনে ষোল্লটা ছৰ্টি লয়, কাৰণ একোটা মিছনত ষোল্লখন বিমানে অংশগ্ৰহণ কৰিব লাগে।


13



'গুপ্তচৰী' অথবা তথ্য-সংগ্ৰহ ব্যৱস্থাই, যুদ্ধৰ সময়ত এটা গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে আৰু সেই উদ্দেশ্যেই সৈন্যবাহিনী আৰু নৌবাহিনী আৰু বিমান বাহিনীয়ে একেলগ হৈ কাম কৰে। এই ব্যৱস্থাৰ যোগেদি চুবুৰীয়া দেশসমূহৰ কাৰ্যকলাপ জানিব পাৰি আৰু কোনোবা দেশে যুদ্ধৰ বাবে প্ৰস্তুতি চলাইছে নে কি, তাৰ সন্ধান লোৱা হয়। এই গুপ্তচৰী ব্যৱস্থাৰ যোগেদি সশস্ত্ৰ বাহিনীয়ে যুদ্ধৰ সময়ত শত্ৰুপক্ষৰ লক্ষ্যস্থানসমূহ বাছি ল'ব পাৰে। তদুপৰি কেনেধৰণৰ ঠাই শত্ৰুপক্ষই আক্ৰমণ কৰিব পাৰে, সেই কথাৰ আগতীয়াকৈ উমান পায় আৰু সেই ধৰণে সেই ঠাইসমূহ ৰক্ষা কৰাৰ বাবে চাতুৰী কৰিব পাৰে আৰু বিমান আক্ৰমণ প্ৰতিৰোধৰ ব্যৱস্থা ল'ব পাৰে। এই তথ্য-সন্ধানৰ কাম সকলো সময়তে সক্ৰিয় হৈ থাকে—যাতে যুদ্ধ আৰম্ভ হ'লেই আমাৰ সশস্ত্ৰ বাহিনী প্ৰস্তুত থাকিব পাৰে।

যুদ্ধৰ সময়ত ভাৰতীয় বিমান বাহিনী ঃ

যুদ্ধ আৰম্ভ হ'লেই সৈন্যবাহিনী আৰু বিমান বাহিনীয়ে একেলগে কাম আৰম্ভ কৰে আৰু ৰাদাৰ যন্ত্ৰসমূহে আক্ৰমণকাৰী শত্ৰুপক্ষৰ বিমান আক্ৰমণৰ বিষয়ে সষ্টম থকাৰ উদ্দেশ্যে দিনে-নিশাই কাম কৰিবলৈ লয়। দ্বিতীয় মহাযুদ্ধৰ সময়ত আৱিষ্কাৰ কৰা এই ৰাদাৰ যন্ত্ৰসমূহৰ যোগেদি কেতিয়া আৰু কোনপিনেদি শত্ৰুপক্ষৰ বিমান অগ্ৰসৰ হৈছে তাক আগতীয়াকৈ জানিব পাৰি। এনেদৰে শত্ৰুপক্ষৰ বিমানসমূহৰ আক্ৰমণধাৰা প্ৰতিহত কৰিবৰ বাবে বিমান-বিধ্বংসী কামান, ক্ষেপণাস্ত্ৰ আৰু চুবুৰীয়া বিমান ঘাটিসমূহত থকা যুঁজাৰু বিমানক সতৰ্ক কৰি দিব পাৰি, যাতে প্ৰয়োজন হ'লে সেই বিমানসমূহে শত্ৰুপক্ষৰ বিমানৰ অগ্ৰগতি ৰোধ কৰিব পাৰে। মৰুভূমি আৰু ওখ পৰ্বতমালাৰ ওপৰেদি পাৰ হৈ যোৱা আমাৰ সুদীৰ্ঘ আৰু বিপদসংকুল সীমান্ত ৰক্ষাৰ বাবে কেন্দ্ৰীয় নিয়ন্ত্ৰণ কেন্দ্ৰৰ লগত সংযোগকাৰী এলানি ৰাদাৰ-কেন্দ্ৰ আছে। এইদৰে গোটেই সীমান্তৰ

← মজুত ছাউনিত মিগ-21 নাপাম বোমা লৈ আক্ৰমণ চলোৱা হৈছে।
(তলত) আক্ৰমণৰ পিছত।

বাবে বিমান প্ৰতিৰক্ষা সযতনে যুগুত কৰা হৈছে। এই ব্যৱস্থা 'বিমান-প্ৰতিৰক্ষা-সমন্বয়' হিছাপে জনাজাত।

ৰাদাৰৰ পৰ্দাত শত্ৰুপক্ষৰ বিমান অগ্ৰসৰ হোৱাৰ লক্ষণ দেখা পালেই আমাৰ বিমানসমূহে তাক প্ৰতিহত কৰিবলৈ উৰা মাৰে। প্ৰতিটো বিমান বাহিনীয়ে আনটো বাহিনীক বিকল কৰি দিবলৈ চেষ্টা কৰে যাতে আকাশমাৰ্গত তেওঁলোকে নিজৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰিব পাৰে। আকাশমাৰ্গৰ এই পটুতাই নিজৰ নগৰসমূহক ৰক্ষা কৰা আৰু শত্ৰুপক্ষৰ যোগান ব্যৱস্থা আৰু উদ্যোগসমূহৰ ওপৰত আক্ৰমণৰ সুবিধা দিয়ে। আকাশমাৰ্গৰ নিয়ন্ত্ৰণে স্থলবাহিনীকো সহায় কৰে। কাৰণ, বিমান বাহিনীৰ যোগেদি পোৱা নিৰাপত্তাৰ সুযোগ লৈয়ে স্থলবাহিনীয়ে ৰেল আৰু মটৰগাড়ীৰ যোগেদি শত্ৰুপক্ষৰ আক্ৰমণৰপৰা নিজকে ৰক্ষা কৰি দ্ৰুতগতিৰে আহ-যাহ কৰিব পাৰে। ইয়াৰ উপৰিও, খাদ্যসামগ্ৰী আৰু অস্ত্ৰ-শস্ত্ৰ যুদ্ধক্ষেত্ৰলৈ পঠিয়াব পাৰে আৰু আহতসকলক নিৰাপদে আঁতৰ কৰি আনিব পাৰে।

সাগৰতো এখন বা ততোধিক বিমানবাহী জাহাজৰপৰা পৰিচালিত নৌবাহিনীৰ বিমান-শাখাই শত্ৰুপক্ষৰ দূৰণিবটীয়া বন্দৰসমূহলৈ গৈ আক্ৰমণ চলাব পাৰে। সাগৰীয় বিমান-শাখা, নৌবাহিনীৰহে এটা অঙ্গ—বিমান বাহিনীৰ নহয়। এই বাহিনীৰ পাইলটসকলক নৌ-বাহিনীৰ মৰ্যাদা দিয়া হয়। এই শাখাই সাগৰ-অঞ্চলত শত্ৰুপক্ষৰ জাহাজৰ বাবে অনুসন্ধান চলোৱাৰ কাম কৰে আৰু চাব্‌মেৰিণ আৰু জাহাজসমূহক আক্ৰমণ কৰিব পাৰে।

স্থলভাগত যুদ্ধৰত সৈন্যসকলে আকাশমাৰ্গত নিজা বিমান বাহিনীৰ বিমান দেখা পালে অসীম আনন্দ পায়– কাৰণ এই বিমানসমূহে শত্ৰুপক্ষৰ বিমান বাহিনীৰপৰা তেওঁলোকক ৰক্ষা কৰে আৰু শত্ৰুসৈন্য আৰু টেংকসমূহৰ অৱস্থিতিৰ সন্ধান দি আক্ৰমণত সহায় কৰে। এই ব্যৱস্থাসমূহক 'সংঘবদ্ধ-সমৰ্থন-অভিযান' বুলি কোৱা হয়।

এইদৰেই বিমান বাহিনীয়ে একোখন যুদ্ধ চলায়। বোমাৰু বিমান-

সমূহে শত্ৰুপক্ষৰ ভিতৰুৱা অঞ্চলৰ সামৰিক আৰু উদ্যোগক্ষেত্ৰৰ লক্ষ্যত আক্ৰমণ চলায়, আক্ৰমণকাৰী বোমাৰু বিমানসমূহ গুলীয়াই ভূপতিত কৰে, স্থলবাহিনীক সহায় কৰে, পৰিবহন বিমান আৰু হেলিক'প্টাৰ-সমূহে সা-সামগ্ৰী আৰু অস্ত্ৰ-শস্ত্ৰ কঢ়িয়াই পেৰাট্ৰুপাৰসকলক অৱতৰণ কৰায় আৰু আহতসকলক আঁতৰ কৰি আনে। এই সকলোৱে একত্ৰিতভাৱে এনেদৰে কাম কৰাৰ মূল উদ্দেশ্য হৈছে শত্ৰুপক্ষক পদানত কৰা আৰু নিজৰ মাতৃভূমিক ৰক্ষা কৰা।

বিমান বাহিনীক প্ৰশিক্ষণ দিয়া এয়াৰ ফ'ৰ্ছ একাডেমীটো হাইদ্ৰাবাদত অৱস্থিত। এই কেন্দ্ৰতে বিমান বাহিনীৰ উৰণ-শাখাৰ শিক্ষাৰ্থীসকলক প্ৰশিক্ষণ দিয়া হয় আৰু তেওঁলোকে কমিছন্ড্ অফিচাৰ হিচাপে অৰ্হতা লাভ কৰে। পাইলটসকল দুভাগত বিভক্ত—যুঁজাৰু পাইলট আৰু পৰিবাহক পাইলট। তেওঁলোকে বিভিন্ন শাখাত প্ৰশিক্ষণ লাভ কৰে। বিভিন্ন স্কোৱাড্ৰনত যোগদান কৰিবলৈ পঠোৱাৰ আগতে ইয়াতে পাইলট-সকলক পৰিচালনামূলক প্ৰশিক্ষণ দিয়া হয়।

প্ৰশাসনিক শাখাৰ বাবে বিষয়াসকলক কইম্বাটোৰত থকা বিমান বাহিনীৰ

এয়াৰ ফ'ৰ্ছ অকাদেমি, হায়দ্ৰাবাদ





হিমালয় পৰ্বতৰ ওপৰেদি পেকেট চি-119 বিমান

প্ৰশাসনিক মহাবিদ্যালয়ত আৰু কাৰিকৰী বিষয়াসকলক জালাহাল্লিত থকা বিমান বাহিনীৰ কাৰিকৰী মহাবিদ্যালয়ত প্ৰশিক্ষণ দিয়া হয়। বৈমানিকৰ কাৰণে বেলগাওঁ, বাঙ্গালোৰ আৰু মাদ্ৰাজত বিভিন্ন ধৰণৰ প্ৰশিক্ষণ স্কুল আছে। সংৰক্ষণ কমাণ্ডৰ অধীনত থকা শাখাসমূহত কাৰিকৰী প্ৰশিক্ষণপ্ৰাপ্ত বিমান-কাৰিকৰসকলে বহুধৰণৰ কাৰিকৰী কাম সম্পূৰ্ণ কৰি নষ্ট হোৱা বিমানসমূহৰ মেৰামতি কৰে আৰু সেই বিমানবোৰ কামত লগোৱাৰ বাবে উপযোগী কৰি তোলে। এই ব্যৱস্থাক বিমান 'অপাৰেশ্যনেল' কৰি ৰখা ব্যৱস্থা বুলি কোৱা হয়। ইয়াৰ উপৰিও সকলোবোৰ বিমান বাহিনীৰ কেন্দ্ৰতে প্ৰতিপালক গোট ৰখা হয়। এই গোটসমূহৰ কাম হৈছে যুদ্ধক্ষেত্ৰৰ আগশাৰীৰ বিমানসমূহক সকলো কামৰ বাবে প্ৰস্তুত কৰি ৰখা।

যুঁজাৰু আৰু বোমাৰু বিমানসমূহক মাথোন যুদ্ধৰ সময়তহে কামত লগোৱা হয়; কিন্তু পৰিবহন স্কোৱাড্ৰনসমূহক প্ৰশিক্ষণৰ কামত, আৰু আমাৰ পৰ্বতমালাৰ সীমান্ত অঞ্চলত অৱস্থিত চকীসমূহ লৈ সৈন্যসামন্ত আৰু বয়-বস্তু কঢ়িওৱাৰ কামত লগোৱা হয়। কাৰণ, এইবোৰ দুৰ্গম পৰ্বতীয়া ঠাইলৈ পথেৰে কন্‌ভয় পঠিয়াবলৈ হ'লে বহু দিন লাগিব।

আধুনিক যুদ্ধৰ লক্ষ্য হৈছে আকাশমাৰ্গত শ্ৰেষ্ঠতা অৰ্জন কৰা। গতিকে আমাৰ দেশৰ বাবে এটা আধুনিক উচ্চ প্ৰশিক্ষণপ্ৰাপ্ত বিমান বাহিনী ৰখাটো প্ৰয়োজনীয় আৰু এনে বাহিনী গঠিত হ'ব লাগিব দেশৰ সেৱাৰ বাবে প্ৰস্তুত এদল লোকৰ দ্বাৰা। বিমান বাহিনীৰ পাইলটসকলৰ প্ৰয়োজনীয় সাহস তথা দুঃসাহসিকতাৰ বাবে ভাৰতীয় বিমান বাহিনীয়ে আমাৰ বহুতো যুৱকক আকৃষ্ট কৰিব পাৰিছে।

বিভিন্ন ধৰণৰ বিমান



মই আগতেই কৈছোঁ যে প্ৰথম মহাসমৰৰ সময়ত বিমানবাহিনীৰ প্ৰধান কাম আছিল শত্ৰুপক্ষৰ ওপৰত বোমা পেলাই সৈন্যবাহিনীক সহায় কৰা। বিমান বাহিনীয়ে সেইদৰে উৰণীয়া গোলন্দাজ দল হিছাপে কাম চলাইছিল। তেওঁলোকে কেতবোৰ তথ্য-পাতিও সংগ্ৰহ কৰিছিল। কিন্তু এই ক্ষেত্ৰত তেওঁলোকৰ কাৰ্য সীমিত ধৰণৰ আছিল।

মহাযুদ্ধ তুখনৰ মাজৰ সময়ছোৱাত সৈন্যবাহিনীৰ বিমানসমূহ বহুখিনি উন্নত হ'ল। দ্বিতীয় মহা-সমৰৰ আৰম্ভণীতে বিভিন্নধৰণৰ কৰ্তব্য পালনৰ বাবে সুসজ্জিত এটা আধুনিক বিমান বাহিনীৰ সৃষ্টি হ'ল।



তাজমহলৰ ওপৰেদি কেন্‌বেৰা বিমান উৰা মাৰিছে



মিগ-21

বোমাৰু বিমান

বিমান বাহিনীৰ প্ৰথম আৰু প্ৰধান কৰ্তব্য হৈছে শত্ৰুপক্ষৰ এলেকাসমূহ অকামিলা কৰিব পৰাকৈ বিভিন্ন লক্ষ্যৰ ওপৰত বোমা নিক্ষেপ কৰা। বিমান বাহিনীৰ প্ৰধান কৌশল হৈছে আক্ৰমণাত্মক, আৰু এই কৌশল কাৰ্যকৰী কৰাত সহায় কৰা বিমানসমূহেই হৈছে বোমাৰু বিমান। বোমাৰু বিমান বিভিন্ন ধৰণৰ আছে—গধুৰ, মজলীয়া আৰু পাতল। গধুৰ বোমাৰু বিমানসমূহ বহু ওপৰেদি উৰে আৰু এইবিধ বিমানৰ দূৰৈৰ লক্ষ্যস্থল ভেদ কৰিব পৰা ক্ষমতাও অধিক। গধুৰ বোমাৰু বিমানসমূহ অধিক ব্যয়বহুল। মজলীয়া ধৰণৰ বোমাৰু বিমানসমূহৰ লক্ষ্যভেদ কৰিব পৰা ক্ষমতাও কম আৰু এইবিধ বিমানে কম ওজনৰ বোমাহে কঢ়িয়াব পাৰে। ভাৰত স্বাধীন হোৱাৰ পিছত এই সিদ্ধান্ত লোৱা হ'ল যে আমাৰ যুঁজাৰু বাহিনীৰ প্ৰধান কাম হ'ব দেশখনক ৰক্ষা



হাণ্টাৰ

কৰা, সেইবাবে গধুৰ অথবা মজলীয়া বোমাৰু বিমানেৰে সজ্জিত এটা বিমান বাহিনী গঠন কৰাৰ বাবে কোনো আঁচনিও লোৱা হোৱা নাছিল। আৰু, বিমান বাহিনীৰ হাতত থকা একমাত্ৰ পাতল বোমাৰু বিমানখন আছিল 'কেন্‌বেৰা' বিমান। আমাৰ কিছুমান কেন্‌বেৰা বিমানত তথ্য সংগ্ৰহ কৰিব পৰা কেমেৰা সংযুক্ত আছে।

যুঁজাৰু বিমান

আকাশ-মাৰ্গৰ সুৰক্ষাৰ বাবে ব্যৱহাৰ কৰা দ্বিতীয়বিধ প্ৰধান বিমান হৈছে যুঁজাৰু বিমান। আমাৰ এলেকাৰ ভিতৰত শত্ৰুপক্ষৰ বিমানে অনুপ্ৰৱেশ কৰিলে ৰাদাৰ কেন্দ্ৰসমূহে আমাৰ যুঁজাৰু বিমানসমূহক সতৰ্ক কৰি দিয়ে আৰু সেইমতে যুঁজাৰু বিমানে, শত্ৰুপক্ষৰ বিমানসমূহে যাতে লক্ষ্যস্থান পাবহি নোৱাৰে, তাৰ বাবে ততালিকে আকাশলৈ

উৰা মাৰে। এই বিমানসমূহে শত্ৰুপক্ষৰ বিমানসমূহ প্ৰতিহত কৰি যুদ্ধৰ সন্মুখীন হয় বাবেই এই শ্ৰেণীৰ বিমানক যুদ্ধ-প্ৰতিহতকাৰী বিমান বুলি কোৱা হয়। যুঁজাৰু বিমানসমূহক উপযুক্তভাৱে উন্নত কৰি, স্থলভাগৰ ওপৰত আক্ৰমণ চলোৱা, টেংক আৰু সৈন্য-সামন্তৰ ওপৰত আক্ৰমণৰ ক্ষেত্ৰতো সহায়ক কৰি লোৱা হৈছে। এই কামৰ বাবে ব্যৱহাৰ কৰা বিমানসমূহক স্থলভাগৰ ওপৰত আক্ৰমণকাৰী বিমান বুলি কোৱা হয়। 1965 আৰু 1971 চনত পাকিস্তানৰ লগত হোৱা যুদ্ধৰ সময়ত ভাৰতীয় বিমান বাহিনীয়ে এনেধৰণৰ বিমানকে ঘাইকৈ ব্যৱহাৰ কৰিছিল। আমাৰ এবিধ যুঁজাৰু বিমান হৈছে মিগ-2। ৰুছদেশত উদ্ভূত এইবিধ বিমান এতিয়া ভাৰততে নিৰ্মিত হয়। এই শ্ৰেণীৰ বিমানক যুঁজাৰু বিমান প্ৰতিহতকাৰী আৰু স্থলভাগৰ আক্ৰমণকাৰী— দুয়ো হিচাপে ব্যৱহাৰ কৰা হয়। আমাৰ নিজৰ এইচ্-এফ-24 (মাৰুত) বিমানসমূহ নিয়মিতভাৱে স্থলভাগৰ ওপৰত আক্ৰমণ চলোৱা বিমান। এই শ্ৰেণীৰ আনবিধ ৰুছ বিমানৰ নাম হৈছে 'চুখই'। এই জাতীয় হান্টাৰ আৰু মিষ্টেয়াৰ্ছ—পুৰণি বিমান যদিও, এই দুয়োবিধকে বিস্তৃতভাৱে কামত লগোৱা হয়।


স্থলভাগৰ ওপৰত আক্ৰমণ চলোৱা বিমানসমূহ ৰকেট, কামান আৰু মেচিন গান আদি আক্ৰমণাত্মক অস্ত্ৰ-শস্ত্ৰেৰে সজ্জিত। এইবিধ বিমানেও কিছুসংখ্যক বোমা কঢ়িয়াব পাৰে। আধুনিক কেতবোৰ বিমানে আকাশেৰে এঠাইৰপৰা আন ঠাইৰ লক্ষ্য ভেদ কৰিব পৰা বা মাটিৰ লক্ষ্যস্থল ভেদ কৰিব পৰা ক্ষেপণাস্ত্ৰ কঢ়িয়াই নিয়ে।

আকাশমাৰ্গত বিপৰীত ফালৰপৰা অহা বিমানে চলোৱা যুদ্ধক 'ডগ ফাইট' কোৱা হয়। এনে যুদ্ধত সংগ্ৰামৰত বিমান আৰু বিমান-চালকৰ দক্ষতাই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। যিবোৰ বিমান সহজে এই ক্ষেত্ৰত প্ৰত্যয়শীল বুলি নিজকে প্ৰমাণিত কৰিব পাৰে, তেনেবোৰ বিমানৰ দেখ্‌দেখকৈ সুবিধা আছে। সেইবাবে আমাৰ নেট্ বিমানসমূহ বহুত সৰু আৰু কম পৰিমাণে অস্ত্ৰ-শস্ত্ৰ




মিষ্টেয়ার্ছ্

নোট





এইচ.এচ-748 (এভ্ৰো)



কঢ়িয়াব পাৰে যদিও পাকিস্তানী ছেবাৰ (Sabre) বিমানৰ সন্মুখীন হোৱাত অতি দক্ষতাৰ পৰিচয় দিয়ে।

পৰিবহন বিমান

বিমান বাহিনীৰ আন এটা গুৰুত্বপূৰ্ণ কাম হৈছে যুদ্ধক্ষেত্ৰলৈ সৈন্যবাহিনী আৰু অস্ত্ৰ-শস্ত্ৰ কঢ়িয়াই নিয়া। ইয়াৰ বাবে অসামৰিক যাত্ৰীবাহী বিমানৰ দৰে সৈন্য কঢ়িওৱা বিমান ব্যৱহাৰ কৰা হয়। এই দুইবিধ বিমানৰ অৱশ্যে পাৰ্থক্য এটা আছে। সৈন্যবাহী বিমানৰ ভিতৰখনৰ ব্যৱস্থা তেনেই উজু কৰি থোৱা হয় যাতে ই বেছি বোজা কঢ়িয়াব পাৰে।

ভাৰতীয় বিমান বাহিনীৰ কেইবাবিধো পৰিবহন বিমান আছে। যেনে—এ. এন-12, 'কেৰিবু', পেকেট, এইচ. এছ-748 (পূৰ্বৰ নাম 'এভ্ৰো') আৰু কিছু পুৰণি ডাকোটা। ইয়াৰ উপৰিও, কেতবোৰ পাতল পৰিবহন বিমান আছে, যি বোৰ সৰু-সুৰা বিমান-ক্ষেত্ৰত অৱতৰণ কৰিব পাৰে অথবা তাৰপৰা উৰা মাৰিব পাৰে। এইবোৰ বিমান উচ্চ অঞ্চলত ব্যৱহাৰ কৰা হয়।

বহু উচ্চ-ক্ষমতাসম্পন্ন বিমানসমূহে সাগৰৰ ওপৰৰ পৰা সন্ধান কাৰ্য চলাব পাৰে, যাতে শত্ৰুপক্ষৰ নৌ-বহৰৰ যাতায়াত লক্ষ্য কৰিব পৰা যায়। এই ব্যৱস্থা 'সাগৰীয় সন্ধান-ব্যৱস্থা' নামে জনাজাত। এতিয়া চুপাৰ কনষ্টেলেশ্যন জাতীয় বিমানসমূহে এই কৰ্তব্য পালন কৰে।


হেলিক'প্টাৰ

যোৱা কেইবছৰমানৰপৰা এবিধ স্বকীয়া ধৰণৰ বিমান কামত লগোৱা হৈছে। হেলিক'প্টাৰ বা 'ৰটাৰী উইং এয়াৰক্ৰাফ্‌ট্' নামৰ এইবিধ বিমান বিভিন্ন কামত লগোৱা হৈছে। হেলিক'প্টাৰসমূহক যুদ্ধৰ সময়ত বিশেষকৈ সৈন্যবাহিনীৰ পৰিবহন অথবা যোগান আদিৰ কামত লগোৱা হয়। হেলিকপ্টাৰে আহত সৈন্যসকলক যুদ্ধক্ষেত্ৰৰপৰা আঁতৰ কৰি অনাত সহায় কৰে। কামান আদি আগ্নেয়াস্ত্ৰ লগোৱা হেলিক'প্টাৰক গেৰিলা সৈন্যৰ বিৰুদ্ধে কামত লগোৱা হয়।

হেলিক'প্টাৰসমূহ, ইয়াৰ ওপৰভাগত লগোৱা ব্লেড্ অথবা ৰটৰৰ সহায়তে উঠা-নমা কৰিব পাৰে। হেলিকপ্টাৰ নমা সৰু ঠাইডোখৰক হেলিপেড্ বোলে। বৰ্তমান আমাৰ ভাৰতীয় বিমান বাহিনীৰ হাতত এতিয়া ৰুছ আৰু ফৰাচী দুবিধ হেলিক'প্টাৰ আছে—মি-4, মি-8 আৰু এলুৱেট্।

অতীত, বৰ্তমান আৰু ভৱিষ্যৎ

1947-48 চনত যেতিয়া কাশ্মীৰত যুদ্ধ আৰম্ভ হ'ল, তেতিয়া ভাৰতীয় বিমান বাহিনীৰ নিজক গঠন কৰাৰ অথবা সম্প্ৰসাৰণ কৰাৰ খুব কমেই সময় আছিল। কিন্তু যুদ্ধ শেষ হোৱাৰ লগে লগেই আমাৰ বিমান বাহিনীৰ সম্প্ৰসাৰণ আৰম্ভ হ'ল। দেশৰ বিভিন্ন ঠাইত প্ৰশিক্ষণ আৰু মেৰামতি কেন্দ্ৰ প্ৰতিষ্ঠা কৰা হ'ল আৰু ভাৰতীয় বিমান বাহিনীয়ে আকাশমাৰ্গৰ যিকোনো ধৰণৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব পৰাকৈ এক শক্তিশালী আৰু সু-সম সামৰিক শক্তিৰূপে নিজকে গঢ়ি তোলাৰ কামত আত্মনিয়োগ কৰিবলৈ ল'লে। ক্ৰমবৰ্ধমান দেশ হিচাপে, আমি আৰ্থিক ক্ষেত্ৰত দুখীয়া আছিলোঁ আৰু আন দেশৰপৰা বিমান কিনাৰ বাবে আমাৰ সিমান ক্ষমতা নাছিল। জাপানৰ লগত হোৱা যুদ্ধৰ পিছত এমেৰিকানসকলে, কেতবোৰ অচল 'লিবাৰেটৰ' বোমাৰু বিমান এৰি থৈ গৈছিল। বাঙ্গালোৰৰ হিন্দুস্থান এয়াৰক্ৰাফ্‌টছ্ লিমিটেডে ইয়াৰে বিশখনমান মেৰামতি কৰি পুনৰ কামত লগোৱাৰ বাবে সুন্দৰভাৱে প্ৰস্তুত কৰি উলিয়ালে আৰু তাৰে ভাৰতীয় বিমান বাহিনীৰ হাতত




তুফানী

যথেষ্টসংখ্যক বোমারু বিমানৰ এটা শক্তি গঠিত হ'ল। দ্বিতীয় মহাযুদ্ধৰ সময়ত দক্ষতাৰে কাম কৰি যোৱা পুৰণি অথচ নিৰ্ভৰযোগ্য ডাকোটা বিমানসমূহ এতিয়াও কামত লাগি আছে। এয়াৰ ইণ্ডিয়াৰপৰা লোৱা চুপাৰ কন্‌ষ্টেলেশ্যন বিমানসমূহেৰে বিমান বাহিনীৰ পৰিবহন শাখাটো গঠিত হ'ল আৰু টেম্পেষ্ট হাৰিকেনছ্ আৰু স্পিট্‌ফায়াৰ বিমানসমূহক লৈ যুঁজাৰু-বিমান শাখাটো গঠিত হ'ল।

1948 চনত ভেম্পায়াৰ জে'ট্ শ্ৰেণীৰ বিমানসমূহ সংগ্ৰহ কৰাৰ পিছত ভাৰতীয় বিমান বাহিনী, পূবৰ দেশসমূহৰ ভিতৰত জে'ট্ যুঁজাৰু বিমানেৰে সজ্জিত প্ৰথম বিমান বাহিনী হিচাপে পৰিগণিত হ'ল। এই বিখ্যাত বিমানসমূহ এতিয়াও কামত লাগি আছে। ইয়াৰ পিছত অন্যান্য জে'ট্ যুঁজাৰু বিমানসমূহ আহিল, যেনে—ফৰাচী ঔৰাগণ (তুফানী) আৰু মিষ্টেয়াৰ্ছ, বৃটিছ হাণ্টাৰ আৰু নেট্ আৰু শেষত চুপাৰছনিক্ ৰুছ

মিগ্-21। মিগ-21 সমূহে শব্দতৰঙ্গতকৈও অধিক বেগত উঠিব পাৰে। আমাৰ সামৰিক সমৰ্থন অথবা পৰিবহনৰ বাবে ভাৰতীয় বিমান বাহিনীৰ বাবে চি-119 ফেয়াৰচাইল্ড পেকেটচ্ বিমান অনা হ'ল। এইবিধ বিমান আকাশৰপৰা পেৰাট্ৰুপাৰ নমাই দিয়াৰ কামত বিশেষভাৱে উপযোগী। তদুপৰি, অটাৰচ্, কেৰিবু আৰু ৰুছ এ. এন-12 বিমান সংগ্ৰহ কৰা হয়। যোগাযোগ ৰক্ষা কৰিবলৈ আৰু বিশিষ্ট ব্যক্তিসকলৰ যাতায়াতৰ ক্ষেত্ৰত ডাকোটা বিমানসমূহক সহায় কৰে ভাইকাউণ্ট, ভাৰতত নিৰ্মিত এভ্ৰো' (এইচ. এচ-748) আৰু টু-124 ৰুছ জে'ট্সমূহে। আমাৰ পাৰ্বত্য অঞ্চলসমূহত ক্ৰমাৎ বাঢ়ি অহা দায়িত্ব পালনৰ বাবে নিয়োজিত ভাৰতীয় সৈন্যবাহিনীৰ লোকৰ চিকিৎসা আৰু যোগান ব্যৱস্থাত সহায় কৰিবলৈ হেলিক'প্টাৰৰ প্ৰয়োজন হ'ল। সেয়ে 1954

ভাম্পেয়াৰ জে'ট





টেম্পেস্ট



চনত চিকোর্চকি এচ-55 আৰু এচ-62 ব্যৱহাৰ কৰা হ'ল। এতিয়া আমাৰ হেলিক'প্টাৰ বাহিনী মি-4 আৰু এলুয়েটে II B-বি হেলিক'প্টাৰেৰে সজ্জিত। এলুয়েটে II B-বি জাতীয় বিমান ভাৰতত নিৰ্মাণ কৰিবলৈ লোৱা হৈছে।

1954ত এপ্ৰিল মাহৰ এক তাৰিখে ভাৰতীয় বিমান বাহিনীৰ একৈশ বছৰীয়া প্ৰতিষ্ঠা দিৱসত এয়াৰ মাৰ্শ্বেল সুব্ৰত মুখাৰ্জীয়ে বিমান বাহিনীৰ প্ৰধান হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰে। 1933ৰ পৰা, ভাৰতীয় বিমান বাহিনী গঠনৰ দিন ধৰি তেওঁ কাম কৰি আহিছিল আৰু এই দায়িত্ব গ্ৰহণ কৰা তেৱেঁই প্ৰথম ভাৰতীয়। সিদিনাই এটা স্মৰণীয় অনুষ্ঠানত তেতিয়াৰ ৰাষ্ট্ৰপতি ডঃ ৰাজেন্দ্ৰপ্ৰসাদে দেশৰ প্ৰতি কৰা সেৱাৰ স্বাক্ষৰ হিচাপে ভাৰতীয় বিমান বাহিনীক ৰাষ্ট্ৰপতিৰ পতাকা প্ৰদান কৰে।


এয়াৰ মাৰ্শ্বেল মুখাৰ্জীয়ে এটা আধুনিক সু-সম বিমান বাহিনী গঠনৰ কামত আত্মনিয়োগ কৰিলে আৰু জনসাধাৰণক এই কথা উপলব্ধি কৰাত সহায় কৰিলে যে ভাৰতীয় বিমান বাহিনীৰ সহায়ৰ বাবে এটা অসামৰিক দ্বিতীয় প্ৰতিৰক্ষা বেহুৰ প্ৰয়োজন। যুৱক-যুৱতীসকলক বিমান চালনাৰ প্ৰতি আকৃষ্ট কৰিবলৈ তেওঁ গ্লাইডাৰ প্ৰশিক্ষণত উদ্‌গণি দিছিল। তেৱেঁই বিমান বাহিনীৰ সহায়ক —অক্‌জিলিয়াৰী এয়াৰ ফ'ৰ্ছ আৰু ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ বিমান শাখা আৰম্ভ কৰিলে।

1960ত তেওঁৰ মৃত্যুৰ পিছত এয়াৰ মাৰ্শ্বেল এছ্. পি. ইঞ্জিনীয়াৰ নামৰ আন এজন খ্যাতিসম্পন্ন

বৈমানিকে ভাৰতীয় বিমান বাহিনীৰ প্ৰধান হিচাপে দায়িত্ব গ্ৰহণ কৰে। সোত্তৰ বছৰ বয়সতে এইজন ব্যক্তিয়ে লণ্ডনৰপৰা পেৰিছলৈ এটা-ইঞ্জিনযুক্ত বিমানেৰে অকলে উৰি আগা-খাঁ পুৰস্কাৰ লাভ কৰিছিল। এই প্ৰতি-যোগিতাত তেওঁ ভাৰতৰ ব্যৱসায়িক বিমান পৰিবহন সেৱাৰ প্ৰতিষ্ঠাপক, অন্যতম মহান ভাৰতীয় বৈমানিক জে. আৰ্. ডি. টাটাক চেৰ পেলাইছে।

যোৱা দহোটা বছৰৰ ভিতৰত ভাৰতীয় বিমান বাহিনীয়ে বৰ্তমানৰ দুৰ্জেয় শক্তি আহৰণ কৰিছে। আমাৰ এতিয়া সুসজ্জিত, প্ৰশিক্ষণপ্ৰাপ্ত আৰু সুপৰিচালিত পঞ্চল্লিছটা স্কোৱাড্ৰন আছে। এতিয়া ভাৰতীয় বিমান বাহিনীৰ মানদণ্ড বিশ্বৰ বিমান বাহিনীসমূহৰ ভিতৰত যথেষ্ট উচ্চ পৰ্যায়ৰ। এতিয়া আমাৰ বিমান বাহিনী যোৱা কেইবছৰমানৰ ভিতৰত গ্ৰহণ কৰা পৰিকল্পনাৰ আধাৰত সাংগঠনিক পৰিবৰ্তনৰ মাজেদি আগবাঢ়িছে। মিগ-21 আৰু নেট্ আৰু এইচ. এফ-24 যুঁজাৰু বিমানৰ ক্ষেত্ৰত প্ৰায় স্বয়ং-সম্পূৰ্ণ হ'বলৈ চেষ্টা কৰিছে।

ডাঃ ৰাজেন্দ্ৰ প্ৰসাদে বিমান বাহিনীক ৰাষ্ট্ৰপতিৰ প্ৰতীক চিহ্ন দিছে







এন. চি. চি.'ৰ বিমান শাখা

1973 চনত ভাৰতীয় বিমান বাহিনীৰ প্ৰতিষ্ঠা দিবসত বিমান বাহিনীৰ প্ৰধান এয়াৰ চিফ্ মাৰ্শ্বেল অ'. পি. মেহৰাই ঘোষণা কৰে যে ভাৰতে এইচ. এফ-24 (মাৰুত) আৰু নেট্ বিমানৰ উন্নত সংস্কৰণ নিৰ্মাণৰ প্ৰথম পৰ্যায়ত অগ্ৰগতি লাভ কৰিছে। এইবিধ নতুন বিমান আগৰ কেইবিধতকৈ বহুগুণে অধিক কাৰ্যক্ষম। মিগ আৰু মিগ-21 এম'ৰ নতুন সংস্কৰণ দিয়াৰ ক্ষেত্ৰতো আগবাঢ়িব পৰা গৈছে। লগতে তেওঁ উল্লেখ কৰে যে বিমান বাহিনীৰ একমাত্ৰ বোমাৰু বিমান কেন্‌বেৰাৰ সলনি আন এবিধ উপযুক্ত বিমানৰ বাবেও চেষ্টা চলোৱা হৈছে। আমাৰ প্ৰয়োজন হৈছে দক্ষতাৰে লক্ষ্যস্থান ভেদ কৰিব পৰা অধিক শক্তিসম্পন্ন বিমান অৰ্থাৎ আমাক মজলীয়া অথবা গধুৰ বোমাৰু বিমানৰ প্ৰয়োজন।

ইংলেণ্ড, আমেৰিকা অথবা ছোভিয়েট ৰুছিয়াৰ দৰে বিৰাট শক্তিসমূহৰ বিমান-শক্তিৰে তুলনা কৰিবলৈ গৈ আমি গৌৰৱ কৰিব নোখোজোঁ,

মিগ-21






C1632


কিন্তু পৃথিৱীৰ যি অংশত আমাৰ বিমানসমূহ চলাব লাগে, তাৰৈ চালে আৰু শত্ৰুৰ আক্ৰমণৰ সম্ভাৱনালৈ লক্ষ্য ৰাখিলে ভাৰতীয় বিমান বাহিনী আজি এটা সু-সম আৰু অজেয় বিমান-শক্তি হিচাপে পৰিগণিত। এই বাহিনীৰ যি কোনো ধৰণৰ দায়িত্ব পালনৰ ক্ষমতা আছে।

যোৱা দুই দশকৰ ভিতৰত মানুহৰ দ্বাৰা পৰিচালিত বিমানৰ ঠাইত চালক-বিহীন ক্ষেপণাস্ত্ৰৰ প্ৰচলন বাঢ়িছে। মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু ছোভিয়েট, আৰু কিছু পৰিমাণে চীনকে ধৰি আন কিছুমান দেশে পাৰমাণৱিক শক্তিসম্পন্ন আন্তঃৰাষ্ট্ৰীয় ক্ষেপণাস্ত্ৰ সাজু কৰি থৈছে, যাতে এখন সম্পূৰ্ণ যুদ্ধ হ'লে এই জাতীয় ক্ষেপণাস্ত্ৰসমূহক অনতিবিলম্বে কামত লগাব পাৰি। এনে এটা পৰিস্থিতি নহওকগৈ, তাকেই কামনা কৰিছোঁ। আনহাতে অৱশ্যে এই ক্ষেপণাস্ত্ৰসমূহে আন আন শক্তিসমূহক যুদ্ধং দেহি মনোভাৱৰপৰা সততে বিৰত কৰি ৰাখিছে।

বিমান বাহিনীয়ে আৰু এক প্ৰকাৰৰ বিমান ব্যৱহাৰ কৰিব পাৰে

গ্লাইডাৰৰ সহায়ত বিমান-চালনা শিক্ষণ





এয়াৰ মাৰ্শ্বেল সুব্ৰত মুখাৰ্জি



এয়াৰ মাৰ্শ্বেল এছ. পি. ইঞ্জিনিয়াৰ

এয়াৰ মাৰ্শ্বেল অ' পি. মেহৰা



যিবিলাক দূৰৈৰপৰা পৰিচালিত কৰিব পাৰি। ইয়াৰ ইংৰাজী নাম ৰিমোট্‌লি পাইলটেড্‌ ভেহিকল্‌ বা চমুকৈ আৰ. পি. ভি.। এইবিলাকেই হয়তো বৰ্তমানৰ বোমাৰু আৰু যুঁজাৰু বিমানৰ ঠাই ল'ব। যদি সেয়ে হয়, বিমান বাহিনীসমূহ একালত মাথোন পৰিবহন ব্যৱস্থালৈ ৰূপান্তৰিত হ'ব লাগিব। অৱশ্যে মানুহৰ দ্বাৰা পৰিচালিত বিমানসমূহ অদূৰ ভৱিষ্যতে সম্পূৰ্ণভাৱে কামত নলগোৱাকৈ ৰখাৰ সম্ভাৱনা নাই; কাৰণ মানুহৰ দ্বাৰা পৰিচালিত বিমানৰ বাবে সদায়ে কিছু কাম থাকিবই।


কাৰিকৰী জ্ঞানৰ বিকাশৰ লগে লগে ভাৰতীয় বিমান বাহিনীৰো যে আমূল পৰিৱৰ্তন হ'ব, সেই বিষয়ে কোনো সন্দেহ নাই। কিন্তু আমাৰ বিমান বাহিনী সদায় আকাশত, সাহসী তৰুণ বৈমানিক আৰু স্থলভাগত সুদক্ষ কাৰিকৰী লোকৰ দ্বাৰা পৰিচালিত হ'ব আৰু দুয়োটা শাখাই ত্যাগ আৰু সেৱাৰ মনোভাৱেৰে নিজৰ দায়িত্ব সদায় পালন কৰিব।

আকাশমাৰ্গৰ বীৰসকল

স্কোৱাড্ৰন লীডাৰ ভৰদ্বাজে চাম্ব্ এলেকাত এক বিমান আক্ৰমণৰ নেতৃত্ব কৰাৰ সময়ত, তেওঁৰ বিমানখন আৰু তেওঁৰ লগত থকা দ্বিতীয় বৈমানিকজনৰ বিমানদুখন স্থলভাগৰ গুলিত আক্ৰান্ত হয়। এই আক্ৰমণৰ পৰা আত্মৰক্ষা কৰিবলৈ উৰা মাৰোঁতেই তেওঁলোক শত্ৰুপক্ষৰ ছেবাৰ-জে'টৰ সম্মুখীন হয়। তেতিয়া স্কোৱাড্ৰন লীডাৰ ভৰদ্বাজে দক্ষতাৰে তেওঁৰ সহযোগী বৈমানিকজনক নিৰাপদ ঠাইলৈ আঁতৰাই নিলে আৰু পুনৰ যুদ্ধত লাগিল। তেওঁ এখন ছেবাৰ-জে'ট গুলীয়াই ভূপতিত কৰিলে আৰু তাৰ লগে লগে আনবোৰ পাকিস্তানী বিমান ভিৰাই পলাবলৈ ল'লে। সাহসী স্কোৱাড্ৰন লীডাৰজনে তেতিয়া নিৰাপদে নিজৰ বিমানক্ষেত্ৰলৈ নামি আহিবও পাৰিলেহেঁতেন, কাৰণ তেওঁৰ বিমানখনত গুলি লাগিছিল আৰু তেওঁ অকলশৰীয়া আছিল। কিন্তু তাকে নকৰি তেওঁ আগুৱাই গৈ পাকিস্তানী সৈন্য আৰু টেংকসমূহ আক্ৰমণ কৰিলে আৰু শত্ৰুপক্ষৰ বিস্তৰ ক্ষতিসাধন কৰি নিজৰ ঘৰলৈ উভতি আহিল। তেওঁৰ নিদৰ্শনীয় সাহসিকতা আৰু নেতৃত্বৰ বাবে স্কোৱাড্ৰন



এচ-55 হেলিক'প্টাৰ



লীডাৰ ভৰদ্বাজক 'মহাবীৰ চক্র' প্ৰদান কৰা হয়।

এনেধৰণৰ সাহসিকতাৰ বাবে 'মহাবীৰ চক্র'ৰ সন্মান লাভ কৰা আনজন বৈমানিক হ'ল উইং কমাণ্ডাৰ চেচিল ভিভিয়ান পাৰ্কাৰ। তেওঁ এটা যুঁজাৰু-বোমাৰু বিমান স্কোৱাড্ৰনৰ নেতৃত্ব কৰিছিল। শত্ৰুপক্ষৰ সীমাৰ ভিতৰত এক দূৰণিবটীয়া আক্ৰমণৰ পৰা উলটি আহোঁতে উইং কমাণ্ডাৰ পাৰ্কাৰক কিছুমান শত্ৰুপক্ষৰ ছেবাৰ-জে'টে আক্ৰমণ কৰে। কিন্তু পাৰ্কাৰে এখন ছেবাৰ-জে'ট্ গুলীয়াই ভূপতিত কৰে আৰু আন এখন বেয়াধৰণে ক্ষতিগ্ৰস্ত কৰে। আন এবাৰ শত্ৰুপক্ষৰ গুলিবৰ্ষণৰ সন্মুখীন হৈয়ো তেওঁ এটক্ চহৰত থকা তেল শোধনাগাৰটো আক্ৰমণ কৰে আৰু তাৰ গুৰুতৰ ক্ষতিসাধন কৰে। 'মহাবীৰ চক্র' প্ৰদান সময়ত দিয়া বিৱৰণীৰ একাংশ এয়া তলত দিয়া হৈছে ঃ

"সকলোবোৰ আক্ৰমণৰ সময়তে উইং কমাণ্ডাৰ পাৰ্কাৰৰ কামত অসীম সাহসিকতা আৰু প্ৰতিজ্ঞাৰ পৰিচয় পোৱা যায়। পাৰ্কাৰৰ এই কাৰ্য তেওঁৰ অধীনত থকা অন্যান্য বিমান-চালকৰ বাবে সদায় এটা উজ্বল উদাহৰণ হৈ ৰ'ব। শান্তি আৰু যুদ্ধ দুয়োটা সময়তে তেওঁৰ নেতৃত্ব উল্লেখনীয়। তেওঁ দিনৰ পিছত দিনকৈ নেতৃত্ব বহন কৰি যোৱা বহুতো দায়িত্বত কৰ্তব্যনিষ্ঠা, বীৰত্ব আৰু শত্ৰুপক্ষৰ আক্ৰমণৰ সমুখত সাহসিকতাৰ পৰিচয় দি আহিছে।"

এইবোৰ ঘটনা ঘটিছিল 1971ৰ পাকিস্তানৰ সৈতে হোৱা যুদ্ধৰ সময়ত। সংঘৰ্ষ আৰম্ভ হৈছিল 1971ৰ নৱেম্বৰ মাহত। সেই সময়ত দেশৰ পূব

খণ্ডৰ আকাশমাৰ্গ লঙ্ঘন কৰি তিনিখন পাকিস্তানী বিমানে আক্ৰমণৰ অপচেষ্টা চলোৱাৰ সময়তে এই সংঘৰ্ষ লাগে। ভাৰতীয় বিমান বাহিনীৰ জে'ট্ বিমানসমূহ পাকিস্তানী বিমানৰ এই অপচেষ্টা সম্পূৰ্ণভাৱে ব্যৰ্থ কৰি দিয়ে। ফ্লাইট্ লেফ্টেনেণ্ট আৰ্‌মাছে আৰু এম্. এ. গণপথী আৰু ফ্লায়িং অফিচাৰ ভি. লেজাৰাছে তিনিখন পাকিস্তানী ছেবাৰ-জে'ট্ গুলীয়াই ভূপতিত কৰে আৰু প্ৰথম তিনিটা 'পৰমবীৰ চক্ৰ' উপাধি লাভ কৰে। যুদ্ধ প্ৰকৃততে ঘোষণা কৰাৰ পূৰ্বেই পাকিস্তানী বিমান বাহিনী ভাৰতীয় বাহিনী অসতৰ্ক বুলি ধৰি লৈ আমাৰ কেইবাখনো বিমান ক্ষেত্ৰত আক্ৰমণ চলোৱাৰ প্ৰয়াস কৰিছিল। কিন্তু আমি সাজু আছিলোঁ, আমি সতৰ্কতামূলক ব্যৱস্থা লৈয়েই থৈছিলোঁ আৰু আমাৰ বিমানসমূহ ৰক্ষা কৰাৰ বাবে উপায় নিৰ্ধাৰণ কৰিয়ে থৈছিলোঁ। পাকিস্তানৰ আক্ৰমণ বিফল হ'ল। সেই আক্ৰমণত ভাৰতৰ এখনো বিমানৰ ক্ষতি নহ'ল।

কেইঘণ্টামান পিছতে, ভাৰতীয় বিমান বাহিনীয়ে অভিযান আৰম্ভ কৰিলে আৰু সীমান্তৰ সিপাৰলৈ গৈ পাকিস্তানী বিমানক্ষেত্ৰ আৰু অন্যান্য উল্লেখনীয় লক্ষ্যস্থলত আক্ৰমণ কৰাৰ প্ৰয়াস কৰিলে। সেই একে নিশাই চাম্ব্ খণ্ডত পাকিস্তানী স্থল-বাহিনীয়ে কাশ্মীৰৰ যোগান-পথ বিচ্ছিন্ন কৰাৰ মানসেৰে তীব্ৰভাৱে আক্ৰমণ আৰম্ভ কৰিলে। টেংক আৰু পদাতিক বাহিনীৰে, দুয়োপক্ষৰ মাজত হোৱা এই তয়াময়া যুদ্ধত ভাৰতীয় বিমান বাহিনীয়ে ভাৰতীয় পদাতিক বাহিনীক যিদৰে সহায় কৰিলে, তাৰ তুলনা পাবলৈ নাই। ভাৰতীয় বিমান বাহিনীয়ে শত্ৰুপক্ষৰ যোগান-ব্যৱস্থা আৰু সৈন্যবাহিনী উভয়ৰে ওপৰত ধাৰাসাৰে আক্ৰমণ চলাই তেওঁলোকৰ উদ্দেশ্য ব্যৰ্থ কৰি দিলে।

তথ্য সংগ্ৰহৰ ব্যৱস্থাৰ ফলস্বৰূপে, আমাৰ যুঁজাৰু-বোমাৰু স্কোৱাড্ৰন-সমূহে আক্ৰমণাত্মক অভিযান আৰম্ভ কৰি শত্ৰুপক্ষৰ লক্ষ্যস্থল আৰু শত্ৰুসৈন্যৰ ওপৰত আক্ৰমণ চলায়। তেওঁলোকে সাংঘাতিক ধৰণেৰে এই অভিযান চলাইছিল।

উইং কমাণ্ডাৰ হৰ্‌চৰণ সিং মাংগেট আন এগৰাকী বীৰ বৈমানিক—

যিগৰাকীয়ে বাধা-বিঘিনি একো নগণি নিজৰ কৰ্তব্য সমাধা কৰিছিল। এটা অভিযানত এওঁৰ বিমানখনত তিনিবাৰকৈ শত্ৰুপক্ষৰ গুলি লাগে। কিন্তু তেওঁ সাহসেৰে যুঁজি গ'ল একেবাৰে সেই মুহূৰ্তলৈকে—যি মুহূৰ্তলৈকে তেওঁ বুজা নাছিল যে তেওঁৰ সহযোগী আনবোৰ বিমানো বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। এনেতে শত্ৰুপক্ষৰ প্ৰতিহতকাৰী বিমানৰ আক্ৰমণ হঠাতে আৰম্ভ হ'ল। কিন্তু মাংগেটে সৌভাগ্যক্ৰমে শত্ৰুৰ বেহুৰপৰা ওলাই আহিব পাৰিলে আৰু নিজৰ ঘাটিলৈ নিৰাপদে ঘূৰি আহিবলৈ সক্ষম হ'ল। নমাৰ পিছতহে দেখা গ'ল যে তেওঁৰ বিমানখন বাৰুকৈয়ে ক্ষতিগ্ৰস্ত হৈছে। নিজৰ দক্ষতাৰ গুণতহে তেওঁ নিৰাপদে উভতি আহিব পাৰিলে। 'মহাবীৰ চক্ৰ' তেওঁৰ নিশ্চয়ে প্ৰাপ্য।

ৰাজস্থানৰ মৰুভূমি অঞ্চলতো ভাৰতীয় বিমান বাহিনীয়ে সুন্দৰভাৱে পদাতিক বাহিনীক সহায় কৰি যোৱাৰ উদাহৰণ আছে। এই খণ্ডত বিমান বাহিনীয়ে শত্ৰুপক্ষৰ টেংক বাহিনীৰ ওপৰত আক্ৰমণ চলাই ভালেমান টেংকৰ ক্ষতিসাধন কৰে। পশ্চিম খণ্ডত, কাশ্মীৰৰপৰা সিন্ধুৰ মৰুভূমি অঞ্চললৈকে ভাৰতীয় বিমান বাহিনীয়ে পাকিস্তানী বিমান বাহিনীৰ ভালেমান টেংক ধ্বংস কৰে।

পূব খণ্ডতো, য'ত বাংলাদেশৰ মুক্তিৰ বাবে যুদ্ধ চলিছিল, তাতো ভাৰতীয় বিমান বাহিনীয়ে শত্ৰুপক্ষৰ কেইবাখনো বিমানক্ষেত্ৰৰ ক্ষতিসাধন কৰিছিল। ঢাকাত দুখন বৃহৎ আৰু আন ছ-ঠাইত ছখন সৰু বিমান-ক্ষেত্ৰ আছিল। ছয় ডিচেম্বৰ তাৰিখে ঘাই বিমান কোঠসমূহ ব্যৱহাৰৰ অনুপযোগী হৈ উঠিল আৰু ন ডিচেম্বৰৰ দিনা কাৰ্যক্ষম এখনো বিমানকোঠ বাংলাদেশত নাথাকিল। অব্যৱহৃত পাকিস্তানী বিমানবোৰ মাটিতে থাকিল আৰু অৱশেষত ধ্বংস হ'ল। ইয়াৰ ফলস্বৰূপে পাকিস্তানৰ স্থল-বাহিনীয়ে তেওঁলোকৰ বিমান বাহিনীৰ সমৰ্থন নোপোৱা হ'ল আৰু তেওঁলোক হতাশাগ্ৰস্ত হৈ পৰিল। তেওঁলোকৰ অৱশ্যে এক শক্তিশালী স্থল প্ৰতিৰক্ষা বাহিনী আছিল। তেওঁলোকৰ বিমান বিধ্বংসী কামানসমূহ আছিল আমাৰবোৰতকৈ শক্তিশালী আৰু তেওঁলোক



হিমালয়ৰ ওপৰেদি হান্টাৰ উৰি গৈছে



আছিল খাৰ-বাৰুদেৰে সু-সজ্জিত। গতিকেই আমাৰ অভিযানৰ মুখত আছিল পদে পদে বিপদ।

'মহাবীৰ চক্ৰ' পোৱা আন এগৰাকী উইং কমাণ্ডাৰ হৈছে স্বৰূপকৃষ্ণ কাউল। বিমান আক্ৰমণ সুচল কৰি তুলিবলৈ বাংলাদেশৰ কেতবোৰ অঞ্চলৰ ফটোগ্ৰাফৰ প্ৰয়োজন আছিল ভাৰতীয় বিমান বাহিনীক। উইং কমাণ্ডাৰ স্বৰূপ ওলাই আহিল স্বেচ্ছাই সেই উদ্দেশ্যে। শত্ৰুপক্ষৰ প্ৰবল গুলিবৰ্ষণকো নগণি কাউল নামি গ'ল মাটিৰপৰা দুশ ফুট ওপৰলৈকে, তাকো কেইবাবাৰো। নিঃসন্দেহে ই আছিল বিপদজনক। কাউলে কিন্তু বিপদকো আওকাণ কৰি নিজৰ কাম সফলতাৰে সমাধা কৰিলে।

কাউলে ঢাকা বিমান বন্দৰ আক্ৰমণ কৰিবলৈ যোৱা ভাৰতীয় ৮খন বিমানৰ দলটোৰো নেতৃত্ব লৈছিল। লক্ষ্যস্থলৰ ওচৰ চপাৰ লগে লগে তেওঁলোকক শত্ৰুৰ চাৰিখন বিমানে ঘেৰি ধৰি আক্ৰমণ কৰিছিল। কাউলে বুদ্ধিৰে যে তাৰ মাজেৰেই আক্ৰমণ চলালে, সেইটো নহয়, শত্ৰুপক্ষৰ দুখন বিমানো গুলীয়াই ভূপতিত কৰিলে। আক্ৰমণৰ লক্ষ্যস্থান ত্যাগ কৰি আন দুখন বিমান ততালিকে পলাই গ'ল।

এই অভিযানবোৰে আমাৰ বিমান বাহিনীৰ বীৰত্ব, সাহসিকতা আৰু কৰ্তব্যপৰায়ণতাৰ চানেকি দাঙি ধৰে। উইং কমাণ্ডাৰ কাউলৰ সাহসিকতাৰ নিদৰ্শন নিঃসন্দেহে উচ্চ মানৰ।

এই শিতানৰ প্ৰকাশিত পুথি ঃ

বাপু (সচিত্ৰ জীৱনী দুই খণ্ড)	এফ. চি. ফ্ৰীটাছ
কাশ্মীৰ	মালা সিং
পখী জগৎ	জমাল আৰা
আমাৰ নদনদী	লীলা মজুমদাৰ
শিখৰে শিখৰে	ব্ৰিগেডিয়াৰ জ্ঞান সিংহ
সৰগলৈ ভ্ৰমণ আৰু অন্যান্য গল্প	লীলাৱতী ভাগত
পোহৰ আৰু আনন্দৰ সাধু	মনোজ দাস
স্বৰাজ্যৰ সাধু (১ম খণ্ড)	বিষ্ণু প্ৰভাকৰ
আমাৰ ৰেলৰ কথা	জগজিৎ সিংহ
বিদেশী পৰিব্ৰাজকৰ দৃষ্টিত ভাৰত	কে. চি. খান্না
অভিনয় কৰোঁ আহা	উমা আনন্দ
বাঘৰ মাহীয়েক মেকুৰী	এম. ডি. চতুৰ্বেদী
বহুদিনৰ আগতে (১ম খণ্ড)	এম. চোকসী আৰু পি. এম. জোশী
ৰোহান্তা নন্দ্ৰিয়া	কৃষ্ণ চৈতন্য
যুগ যুগৰ কাহিনী	শান্তা ৰঙ্গচাৰী
বৰাপানি	লীলা মজুমদাৰ
বীৰৰ কাহিনী	ৰাজেন্দ্ৰ অৱস্থি
স্বৰাজ্যৰ সাধু (২য় খণ্ড)	সুমঙ্গল প্ৰকাশ
ভাৰতৰ হকী খেল	শৰদিন্দু সান্যাল
পৃথিৱী সলনি কৰা আৱিষ্কাৰ সমূহ (দুই খণ্ড)	মীৰ নজৰৎ আলী
ডাকটিকিটৰ সাধু	এছ. পি. চেটাৰ্জী
ফুল আৰু মৌমাখি	অশোক ডাভৰ
মোৰা	মুল্কৰাজ আনন্দ
অমৰ পুথি	মনোজ দাস
অযোধ্যাৰ ৰাজকুমাৰ	হংস মেহটা

প্ৰতিখন কিতাপৰ দাম ১·৫০

এইবিলাক কিতাপ ইংৰাজী আৰু সকলো ভাষাতে পোৱা যায়।

